


গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ২৬ ডিচেম্বৰ ২০২৫/১০ পুহ ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ
● সংখ্যা - ৩৬ ● Vol - 14, Issue - 36

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নামৰূপত এম'নিয়া -ইউৰিয়া সাৰ প্ৰকল্পৰ ভূমিপূজন কৰা অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

## শ্বহীদ স্মাৰক ক্ষেত্ৰত অসম আন্দোলনৰ শ্বহীদলৈ প্ৰধানমন্ত্ৰীৰ সৈতে মুখ্যমন্ত্ৰীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন






**দিছপুৰ ঃ** সাৰ উৎপাদনেৰে আত্মনিৰ্ভৰ অসম তথা ভাৰত নিৰ্মাণৰ দিশত এক সবল খোজ হিচাপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নামৰূপত অসম ভেলী ফাৰ্টিলাইজাৰ এণ্ড কেমিকেল কোম্পানী লিমিটেডৰ এম'নিয়া -ইউৰিয়া সাৰ প্ৰকল্পৰ ভূমিপূজন কৰে। এই অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ সৈতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। উল্লেখ্য যে, ১০,৬০০ কোটি টকা ব্যয়সাপেক্ষ বিশ্বমানৰ এই এম'নিয়া সাৰ প্ৰকল্পটোৰ বাৰ্ষিক উৎপাদন ক্ষমতা হ'ব ১২.৭ লাখ মেট্ৰিক টন। প্ৰতিদিনে ২,২০০ মেট্ৰিক টন এম'নিয়া আৰু ৩,৮৫০ মেট্ৰিক টন ইউৰিয়া উৎপাদন কৰিবলগীয়া এই প্ৰকল্পটোৱে দেশৰ ইউৰিয়া আমদানি হ্ৰাস কৰাৰ লগতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ইউৰিয়াৰ প্ৰয়োজন পূৰণত গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াব। তদুপৰি এই প্ৰকল্পই স্থানীয় যুৱক-যুৱতীসকলৰ বাবে নিয়োগৰ সুযোগো সৃষ্টি কৰিব। এই উপলক্ষে আয়োজিত জনাকীৰ্ণ সভাত প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই আজিৰ দিনটো অসমবাসীৰ বাবে এটা আনন্দৰ দিন বুলি অভিহিত কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যখনৰ বিকাশ আৰু উন্নয়নৰ প্ৰতি আগবঢ়োৱা আন্তৰিক সহায়ৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। ড° শৰ্মাই কয় যে ২০২১ চনৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানকালত নামৰূপবাসীয়ে অঞ্চলটোক পুনৰ প্ৰাণৱন্ত কৰি তোলাত সহায়ক হোৱাকৈ নামৰূপ সাৰ কাৰখানাৰ চতুৰ্থটো গোট নিৰ্মাণৰ কাম আৰম্ভ কৰাৰ বাবে তেওঁক আহ্বান জনাইছিল। পৰৱৰ্তী সময়ত তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক নামৰূপৰ জনসাধাৰণৰ আশা-আকাংক্ষাৰ কথা অৱগত কৰি বছৰি ৫ লাখ মেট্ৰিক টন উৎপাদন ক্ষমতাৰ প্ৰস্তাৱিত প্ৰকল্পটোত অনুমোদন জনাবলৈ আৱেদন জনাইছিল। কিন্তু প্ৰধানমন্ত্ৰী মোদীয়ে ৫ লাখ মেট্ৰিক টন সামৰ্থৰ পৰিৱৰ্তে বছৰি ১২.৭ লাখ মেট্ৰিক টন উৎপাদন ক্ষমতাৰ প্ৰকল্প স্থাপনত অনুমোদন জনায় আৰু আজি ভূমিপূজনৰ জৰিয়তে এই প্ৰকল্পটো বাস্তৱায়িত হোৱাৰ দিশত আগবাঢ়িছে। তেওঁ কয় যে অসমৰ জনসাধাৰণৰ আৱেগৰ প্ৰতি সন্মান জনাই এই প্ৰকল্পটোত ৪০ শতাংশ অংশীদাৰিত্ব ল'বলৈ ৰাজ্য চৰকাৰকো সুযোগ প্ৰদান কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে ইয়াৰ পূৰ্বেও নুমলীগড় শোধনাগাৰত ২৬ শতাংশ অংশীদাৰিত্ব ল'বলৈ প্ৰধানমন্ত্ৰীয়ে ৰাজ্য চৰকাৰক *১০ পৃষ্ঠাত*

# এখন সমাজ নিজৰ ভৰিৰ ওপৰত ঠিয় দিবলৈ গ্ৰাম্য অৰ্থনীতি শক্তিশালীকৰণৰ বিকল্প নাই ঃ মুখ্যমন্ত্ৰী



**দিছপুৰ ঃ** ৰাজ্যৰ নাৰী সমাজৰ আৰ্থিক সবলীকৰণৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে ৰূপায়ণ কৰা মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড় জিলাৰ চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিৰ ২১,১৯৮ গৰাকী আৰু তিনিচুকীয়া জিলাৰ মাকুম বিধানসভা সমষ্টিৰ ২২,০৬৯ গৰাকী উদ্যমী মহিলালৈ ১০ হাজাৰ টকাকৈ উদ্যমিতা পুঁজিৰ চেক বিতৰণৰ শুভাৰম্ভ কৰে। চাবুৱা-লাহোৱাল সমষ্টিৰ হিতাধিকাৰীসকলৰ ২০,৫৭৫ গৰাকী গ্ৰামাঞ্চলৰ আৰু **৬২৩** গৰাকী নগৰাঞ্চলৰ। আনহাতে মাকুম সমষ্টিৰ হিতাধিকাৰীসকলৰ ভিতৰত ২০,৯০০ গৰাকী গ্ৰামাঞ্চলৰ আৰু **১,১৬৯** গৰাকী নগৰাঞ্চলৰ। এই উপলক্ষে চাবুৱাৰ দিনজয় চাহ বাগিচা খেলপথাৰ আৰু তিনিচুকীয়াৰ জনমুখ খেলপথাৰত আয়োজিত দুখন পৃথক জনসভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যৰ নাৰী সমাজক আৰ্থিকভাৱে স্বাৱলম্বী কৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে হাতত লোৱা অভিলাষী আঁচনি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আজি পৰ্যন্ত ৰাজ্যৰ ৫৫ টা বিধানসভা সমষ্টিৰ ১৫ লাখ উদ্যমী *১০ পৃষ্ঠাত*

# বজালীত ২৮,৮০৫ গৰাকী মহিলাক উদ্যমিতা অভিযানৰ চেক প্ৰদান মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

## উদ্যমিতা অভিযানৰ লক্ষ্য হৈছে মহিলাসকলক স্বাৱলম্বী কৰি তোলাঃ মুখ্যমন্ত্ৰী

**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বজালী বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰী উদ্যমিতা অভিযানৰ অধীনত বীজ মূলধনৰ চেক প্ৰদান অনুষ্ঠানত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে সমষ্টিটোৰ ২৮,৮০৫ গৰাকী হিতাধিকাৰীক অভিযানৰ অন্তৰ্গত ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰে। এই হিতাধিকাৰীসকলৰ ২৬,৩২৫ গৰাকী গ্ৰামাঞ্চলৰ আৰু ২৪৮০ গৰাকী নগৰাঞ্চলৰ। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যৰ আত্ম-সহায়ক গোটসমূহৰ সৈতে ৪০ লাখ মহিলা জড়িত হৈ আছে আৰু ইতিমধ্যে ইয়াৰে ৮ লাখৰো অধিক মহিলা লাখপতি বাইদেউৰ শাৰীলৈ উন্নীত হৈছে। আত্ম-সহায়ক গোটৰ সৈতে জড়িত মহিলাসকলে চৰকাৰী সাহায্যৰ উপৰি বেংক আৰু আত্ম-সহায়ক গোটৰ পৰা ঋণ লৈ নিজৰ ব্যৱসায় সম্প্ৰসাৰণেৰে স্বাৱলম্বী হ'বলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ আত্ম-সহায়ক গোটৰ সদস্যাসকলে বেংকৰ পৰা প্ৰায় ১৫ হাজাৰ কোটি টকাৰ ঋণ লৈ ব্যৱসায়ত বিনিয়োগ কৰাৰ লগতে সময়মতে এই ঋণ পৰিশোধ কৰিবলৈ সক্ষম হৈছে। এই কথাই ৰাজ্যৰ মহিলাসকল উদ্যমিতাৰ



ক্ষেত্ৰত সফলতাৰে কেনেদৰে আগুৱাই গৈছে তাৰ নিদৰ্শন দাঙি ধৰিছে। তেওঁ কয় যে ৰাজ্যৰ মহিলাসকলে ঘৰুৱা দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ উপৰি পৰিয়ালটোক আৰ্থিকভাৱেও সকাহ দিবলৈ সক্ষম হৈছে। এনে উদ্যোগী মহিলাসকলৰ বহুতে লাখপতি বাইদেউৰ শাৰী অতিক্ৰম কৰি মহালাখপতি বাইদেউত পৰিণত হৈছে। বজালী বিধানসভা সমষ্টিত ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ সামূহিক বিনিয়োগ পুঁজি আৰু আত্ম-সহায়ক গোটৰ বেংক লিংকেজৰ ঋণেৰে লাখপতি বাইদেউ হিচাপে স্বীকৃত হ'বলৈ সক্ষম হোৱা বজালী উন্নয়ন খণ্ডৰ কণিমাৰা গাঁৱৰ পদুমী দেৱী আৰু চৌধুৰীপাৰা গাঁৱৰ নিতুমণি চৌধুৰীৰ কথা প্ৰসংগক্ৰমে মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ইয়াৰে পদুমী দেৱীয়ে চাউলৰ পৰা প্ৰস্তুত কৰা সান্দহগুৰি, পিঠাগুৰি, বিভিন্ন প্ৰকাৰৰ প্ৰাকৃতিক চাবোন আৰু মচলাৰ ব্যৱসায়েৰে বাৰ্ষিক ১ লাখ টকাৰ অধিক উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। সেইদৰে নিতুমণি চৌধুৰীয়ে দুগ্ধ পালনৰ লগতে হাঁহ, ছাগলী আৰু মীন পালনেৰে *১০ পৃষ্ঠাত*

# মাজুলী মহাবিদ্যালয়ত যতীন্দ্ৰ কুমাৰ বৰগোহাঞিৰ স্মৃতিদিৱস পালন

## ‘বৰগোহাঞি আছিল এগৰাকী সঁচা মানৱতাবাদী’ ঃ ড° দেৱজিৎ শইকীয়া



**বিকাশ শইকীয়া, মাজুলী ঃ** যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ প্ৰাক্তন অধ্যাপক, এগৰাকী আগশাৰীৰ চিন্তাবিদ, সাহিত্যিক, সাংবাদিক যতীন্দ্ৰ কুমাৰ বৰগোহাঞিৰ ত্ৰয়োদশ মৃত্যু দিৱস উপলক্ষে মাজুলী মহাবিদ্যালয়ত এখন বিশেষ স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ ‘শিক্ষাৰত্ন অতুল চন্দ্ৰ গোস্বামী গ্ৰন্থাগাৰ’ৰ ‘যতীন্দ্ৰ কুমাৰ বৰগোহাঞি স্মৃতি-ষড়ংগ’ত অনুষ্ঠিত উক্ত সভাৰ আৰম্ভণিতে প্ৰয়াত শিক্ষাবিদজনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। ইয়াৰ পিছতেই গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাসে অনুষ্ঠানত উপস্থিত থকা বিশিষ্ট অতিথিসকলক আনুষ্ঠানিকভাৱে আদৰণি জনায়। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ নৰেন চন্দ্ৰ ঠাকুৰীয়াই প্ৰয়াত বৰগোহাঞিৰ ব্যক্তিত্ব সম্পৰ্কে এক চমু আলোকপাত কৰাৰ লগতে তেওঁৰ জীৱনকালত সংগৃহীত গ্ৰন্থসমূহ মাজুলী মহাবিদ্যালয়লৈ দান কৰি যতীন্দ্ৰ কুমাৰ বৰগোহাঞিৰ পত্নী হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞিয়ে এক মহৎ কৰ্ম সম্পন্ন কৰা বুলি কয়। আন এজন বিশিষ্ট অতিথি তথা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ সৰ্বেশ্বৰ হাজৰিকাই যতীন্দ্ৰ কুমাৰ বৰগোহাঞিক লগ পোৱাৰ সময়ৰ কথা স্মৰণ কৰি তেখেতৰ ব্যক্তিত্বৰ জ্যোতিয়ে ছাত্ৰ-ছাত্ৰীসকলক চিৰদিন আলোকিত কৰি ৰাখিব বুলি উল্লেখ কৰে। সভাপতিৰ ভাষণত অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়- “যতীন্দ্ৰ কুমাৰ বৰগোহাঞি আছিল এগৰাকী সঁচা মানৱতাবাদী। পাণ্ডিত্য আৰু আপোচবিহীন মনোৰথ আছিল তেওঁৰ ভূষণ। দৰিদ্ৰ জনতাৰ পক্ষত অৱস্থান কৰিবৰ নিমিত্তেই তেওঁ মহাবিদ্যালয়ৰ অধ্যাপকৰ দৰে লোভনীয় চাকৰি ইস্তফা দি জনসাধাৰণৰ মাজলৈ গুচি গৈছিল।” অধ্যক্ষজনে বৰগোহাঞিৰ ব্যক্তিগত পুথিভঁৰালৰ সমুদায় গ্ৰন্থ সংগ্ৰহ কৰি মহাবিদ্যালয় পৰিয়াল ধন্য হোৱা বুলি উল্লেখ কৰাৰ লগতে এই মহান দানৰ বাবে মাজুলীবাসী চিৰদিন দাতা-পৰিয়ালবৰ্গৰ ওচৰত কৃতজ্ঞ হৈ থাকিব বুলিও কয়। সভাত উপস্থিত থাকি মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, সম্পাদক ড° অনুপ কুমাৰ দলে, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সম্পাদক তুলসী ৰাজখোৱা, ঢকুৱাখনা মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ উপাধ্যক্ষ চিত্ৰ কুমাৰ কোচ, সেই মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক নিৰঞ্জন দাস, মাজুলী জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, কমলাবাৰীৰ ৰূপবৰণ চিত্ৰকলা বিদ্যালয়ৰ অধ্যক্ষ দীপু বৰা আদি বিশিষ্ট ব্যক্তিসকলে প্ৰয়াত শিক্ষাবিদজনৰ মহানুভৱতাক স্মৰণ কৰে। সভাত অধ্যাপক ড° ৰাজেন চন্দ্ৰ বৰা, ইন্দিৰা বড়া, সুৰেন চন্দ্ৰ দাস, ড° দুলাল হাজৰিকা, কাৰ্তিক নাথ, ড° দেৱজ্যোতি ভট্টাচাৰ্য, ড° বিশাল ভূঞা, সুদৰ্শনা ফুকন, মাজুলী জিলা অসম যুৱ ছাত্ৰ পৰিষদৰ উপ-সভাপতি পৱিত্ৰ বৰা, কমলাবাৰীৰ ব্যৱসায়ী-সমাজ সেৱক মনোহৰ ব্যাস, কাৰ্যালয়ৰ জ্যেষ্ঠ সহায়ক পদ্মধৰ বৰুৱা, কাৰ্যালয় সহায়ক দেৱজিৎ বৰুৱা প্ৰমুখ্যে শতাধিক শিক্ষাৰ্থী উপস্থিত থাকে। উল্লেখ্য, বিশিষ্ট অৰ্থনীতিবিদজনৰ বিয়োগৰ পাছত তেওঁৰ ব্যক্তিগত পুথিভঁৰালৰ ছহেজাৰৰো অধিক গ্ৰন্থ তেওঁৰ পত্নী, বিশিষ্ট লেখিকা হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞি আৰু পৰিয়ালবৰ্গই মাজুলীৰ দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীসকলৰ উপকাৰত অহাকৈ মাজুলী মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰলৈ দান কৰি মহানুভৱতাৰ পৰিচয় দিছিল। বৰগোহাঞি পৰিয়ালৰ সেই বদ্যানতাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি মাজুলী মহাবিদ্যালয়ে গ্ৰন্থাগাৰৰ এটি কক্ষ ‘যতীন্দ্ৰ কুমাৰ বৰগোহাঞি স্মৃতি-ষড়ংগ’ নামেৰে নামকৰণ কৰি প্ৰতিবছৰে ১৮ ডিচেম্বৰ তাৰিখটো তেওঁৰ স্মৃতি-দিৱস হিচাপে পালন কৰি আহিছে।

# নগাঁৱত মুখ্যমন্ত্ৰীৰ চাহ জনজাতি আৰু আদিবাসী ফুটবল টুৰ্ণামেণ্ট সম্পন্ন



**জয়ন্ত মুদৈ, নগাঁও ঃ** চাহ জনজাতি আৰু আদিবাসী কল্যাণ বিভাগ, ৰাজ্যিক ক্ৰীড়া আৰু যুৱকল্যাণ সঞ্চালকালয়ৰ যৌথ উদ্যোগত তথা নগাঁও জিলা প্ৰশাসন আৰু জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয়ৰ ব্যৱস্থাপনাত বড়মপুৰ বিধানসভা সমষ্টিৰ কন্দলি চাহ বাগিচা খেলপথাৰত সোমবাৰে সফলতাৰে সামৰণি পৰা নগাঁও জিলা পৰ্যায়ৰ মুখ্যমন্ত্ৰীৰ চাহ জনজাতি আৰু আদিবাসী ফুটবল টুৰ্ণামেণ্ট (অনূৰ্ধ্বৰ-১৭)ত কলিয়াবৰ বিধানসভা সমষ্টিৰ শাগমুঠিয়া চাহ বাগিচা দলে চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। এই টুৰ্ণামেণ্টৰ ফাইনেলত কলিয়াবৰ সমষ্টিৰ দলটোৱে ৰহা বিধানসভা সমষ্টিৰ বৰাপানী চাহ বাগিচা দলক কিক ফ্ৰম দ্যা পেনাল্টি মাৰ্ক অৰ্থাৎ টাইব্ৰেকাৰত(৩-১) (০-০) গ'লত পৰাজিত কৰে। নিৰ্ধাৰিত সময়ত গ'লশূণ্যভাৱে থকা খেলখনৰ টাইব্ৰেকাৰত কলিয়াবৰ সমষ্টিৰ দলটোৰ হৈ প্ৰশান্ত গডবা, ত্ৰিদীপ মাহিলী আৰু অভিজিৎ দীগালে গ'ল স্ক'ৰ কৰাৰ বিপৰীতে ৰহা সমষ্টিৰ দলটোৰ হৈ ৰিংকু আইণ্ডেহে গ'ল স্ক'ৰ কৰিবলৈ সক্ষম হয়। খেলখন পৰিচালনা কৰাত ৰেফাৰী ৰাজীৱ তাঁতীক সহায় কৰে অতুল গড়, সুনীল স্বৰ্গীয়াৰী আৰু দুলাল আহমেদে (চতুৰ্থ)। বিশিষ্ট ক্ৰীড়া সংগঠক প্লাবন বৰুৱাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰা এই টুৰ্ণামেণ্টৰ শুভাৰম্ভণি অনুষ্ঠানত ডাঃ ৰূপজ্যোতি চমুৱা, ডাঃ শান্তনু শৰ্মা, খণ্ড উন্নয়ন বিষয়া সিদ্ধাৰ্থ চিংকাই, মৃদুপৱন বৰা, নিকু কাকতি আদি উপস্থিত থাকে। টুৰ্ণামেণ্টৰ অন্তত জ্যেষ্ঠ শাৰীৰিক শিক্ষাৰ নিৰ্দেশক প্ৰভাত চন্দ্ৰ বৰাই আঁত ধৰা সামৰণি অনুষ্ঠানত নগাঁও জিলা ক্ৰীড়া বিষয়া প্ৰতিম বৰুৱা, ক্ৰীড়া সংগঠক সমীৰ হাজৰিকা, বলাই ৰহমান, উদয়ন চহৰীয়া, ৰবীন্দ্ৰ শ্বাহ, আদিত্য ইংতি, দীপাংকৰ বৰদলৈ, প্ৰশান্ত বৰা আদিৰ লগতে নগাঁও জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ৰ শাৰীৰিক শিক্ষাৰ নিৰ্দেশকসকলৰ উপস্থিতিত বিভিন্ন বঁটাসমূহ বিতৰণ কৰা হয়। টুৰ্ণামেণ্টত বড়মপুৰ সমষ্টিৰ শগুণবাহী চাহ বাগিচা দলে শ্ৰেষ্ঠ শৃংখলাবদ্ধ দল, ৰহা সমষ্টিৰ বিজয় আইণ্ডে শ্ৰেষ্ঠ খেলুৱৈ আৰু কলিয়াবৰ সমষ্টিৰ বিবেক তচাই শ্ৰেষ্ঠ গ'ল ৰক্ষকৰ বঁটা লাভ কৰে বুলি নগাঁও জিলা ক্ৰীড়া বিষয়া প্ৰতিম বৰুৱাই জানিবলৈ দিছে।

# আৱাহনৰ মঞ্চত দুটি নিশাৰ অনুভৱ

■ প্ৰাণ প্ৰতিমা বড়া

অধিবক্তা তথা লেখিকা

**আ**ৱাহন থিয়েটাৰৰ এক সুকীয়া পৰিচয় আছে। নাটকৰ মাজেৰে সমাজ জীৱনৰ সঁচা অনুভৱবোৰ দাঙি ধৰিবলৈ চেষ্টা কৰা হয় নাটকৰ জৰিয়তে। নাটক এখন সফল হ'বলৈ হ'লে অভিনয়, নাট্যকাৰ, কলাকৌশল, চাৰিওপিনৰ দিশৰ ওপৰত নিৰ্ধাৰণ কৰা হয়। আৱাহন থিয়েটাৰৰ মঞ্চৰ নাটক ‘মীনাক্ষীৰ সংগীত সন্ধিয়া’ আৰু ‘গিৰিপ গাৰাপ খোজেৰে কইনা আহে’ দুখন নাটক চালোঁ। নাটক দুখনৰ পৰা সুকীয়া আমেজ পালোঁ। অভিনেতা-অভিনেত্ৰীসকলৰ দুৰ্দান্ত অভিনয়ে সকলো ৰাইজৰ হৃদয় জিনিবলৈ সফল হৈছে। বিশেষভাৱে অভিনেত্ৰী প্ৰস্তুতি পৰাশৰ অভিনয়ে সকলোকে অভিভূত কৰিছে। ব্যক্তিগতভাৱে লগ পোৱা অভিনেত্ৰীগৰাকীৰ ব্যক্তিত্বও সুকীয়া। অহংকাৰবিহীনভাৱে সকলো ৰাইজৰ কথা-বতৰাৰ লগতে হাঁহি-স্ফূৰ্তিৰে নাটকৰ শেষত সকলো ৰাইজৰ লগত কিছু সময় কটোৱা মানুহগৰাকীৰ হৃদয়খন সঁচাকৈয়ে বৰ বিশাল। অভিনেতা কল্যাণ, জিতু, চন্দন আদি সকলোৰে অভিনয়ে মন মোহিত কৰিলে। এতিয়া আহোঁ নাটকৰ বিষয়বস্তুলৈ। বৰ্তমান সময়ৰ উপযোগী এখন নাটক ‘মীনাক্ষীৰ সংগীত সন্ধিয়া’। বৰ্তমান সময়ত ছ'চিয়েল মেডিয়াৰ প্ৰভাৱ, মেডিয়াৰ অপপ্ৰচাৰে একো একোটা পৰিয়াললৈ কিদৰে ধ্বংস মাতি আনিব পাৰে তাৰেই আধাৰত ৰচিত নাটকখন। সমাজত মানুহৰ মনত থিতাপি লোৱা নেতিবাচক চিন্তাৰ বাবে মানুহৰ জীৱনলৈ ঘপককৈ নামি অহা কালধুমুহাই সকলোবোৰ থানবান কৰা বহুত সংবেদনশীল মুহূৰ্তবোৰে হৃদয় জিনি গৈছে। ৰাইজৰ সমাদৰ লাভ কৰা নাটকখন সফল বুলিব পাৰি।

আনখন নাটক ‘গিৰিপ-গাৰাপ খোজেৰে কইনা আহে’ নাটকখনত এগৰাকী নাৰীয়ে কিমান ত্যাগ পৰিব পাৰে। তাৰেই উত্তম উদাহৰণ নাটকখনৰ জৰিয়তে অনুভৱ কৰিব পাৰি। এগৰাকী পুলিচ অফিচাৰ হৈও এগৰাকী পত্নী, এগৰাকী কন্যা, এগৰাকী বোৱাৰী, এগৰাকী বৌয়েকৰ ভূমিকা পালন কৰোঁতে কিমান ত্যাগ স্বীকাৰ কৰিবলগীয়া হয় তাৰেই উৎকৃষ্ট উদাহৰণ এই নাটকখন। দুৰ্দান্ত অভিনয়েৰে দৰ্শকৰ মন মোহিত কৰা অভিনেত্ৰী প্ৰস্তুতি পৰাশৰ অভিনয়ে মানুহৰ হৃদয়ত সাঁচ বহুৱাইছে। গতিকে এককথাত কবলৈ গ'লে নাটকৰ বিষয়বস্তু, অভিনেতা-অভিনেত্ৰীসকলৰ অভিনয় সকলোফালৰ পৰাই নাটক উৎকৃষ্টতম হোৱা বুলিব পাৰি।

**ম'বাইল ঃ ৭৩৯৯৯-২৪৬৫৮**

# বিশিষ্ট অভিনেত্ৰী, নৃত্য পতিয়সী ৰঞ্জনা শৰ্মা বৰদলৈ জীৱনাৱসান ডিব্ৰুগড়ত শোকৰ ছাঁ



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** ডিব্ৰুগড়ৰ সন্তান, একালৰ জনপ্ৰিয় বোলছবি অভিনেত্ৰী তথা নৃত্য পতিয়সী ৰঞ্জনা শৰ্মা বৰদলৈয়ে ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়খনত ৮০ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে। ডিব্ৰুগড়ৰ চিৰিং চাপৰিত ১৯৪৮ চনৰ ৮ ফেব্ৰুৱাৰীত জন্মগ্ৰহণ কৰা ৰঞ্জনা শৰ্মা বৰদলৈৰ পিতৃৰ আছিল নবীন চন্দ্ৰ বৰদলৈ আৰু মাতৃ আছিল অৰ্চনা বৰদলৈ। মণিৰাম দেৱান বোলছবিত ১৯৬২ ‘সেউতী’ চৰিত্ৰত অভিনয়েৰে অভিনয় জীৱন আৰম্ভ কৰি প্ৰতিধ্বনি, ড° বেজবৰুৱা, সোণতৰা, ৰতনলাল, ককাদেউতা নাতি আৰু হাতী, মৰম তৃষ্ণা, পথাৰ আৰু জীৱন, মধুছন্দা আদি কেবাখনো চলচ্চিত্ৰত অভিনয়ৰ উপৰি ৰতনলাল আৰু মধুছন্দা বোলছবিত তেওঁ নৃত্য নিৰ্দেশনা কৰিছিল। অসমীয়া বোলছবিৰ ৬০-৭০ দশকৰ মোহময়ী অভিনেত্ৰী ৰঞ্জনা শৰ্মা বৰদলৈয়ে অসমীয়া ছোৱালীয়ে অভিনয় কৰিবলৈ কুণ্ঠাবোধ কৰা সময়তে অসমীয়া ছবি জগতত নিজৰ প্ৰতিভাৰে সাঁচ বহুৱাবলৈ সক্ষম হৈছিল। পশ্চিমবংগৰ বংগীয় সংগীত পৰিষদৰ পৰা ১৯৯৮ কথক নৃত্যত সংগীত ৰত্ন, ২০০৯ চনৰ ১৫ আগষ্টত শিল্পী পেঞ্চন আৰু ২০১০ চনৰ ২০ জুনত বিষ্ণু ৰাভা সন্মান আদি উপৰিও জীৱনকালত অনেক বঁটা সন্মান লাভকৰিছে। নটসূৰ্য ফণী শৰ্মা, বিষ্ণুপ্ৰসাদ ৰাভা, ভৱত বৰপূজাৰী, গোলাপ শৰ্মা, তিলক দুৱৰা, অভয় দুৱৰা, ইভা আচাও, অনিল শৰ্মা, নৃপেন ঠাকুৰ আদিৰ সৈতে বিভিন্ন মঞ্চত নাটকত অভিনয় কৰাৰ লগতে কেইবাখনো অনাতাঁৰ নাট, দূৰদৰ্শন ধাৰাবাহিক, ভিচিডি আদিটো অভিনয় কৰিছিল। এই গৰাকী অভিনেত্ৰী আৰু নৃত্যাংগনাই মৃত্যুৰ সময়ত তেওঁৰ স্বামী উদীপ শৰ্মা, পুত্ৰ-বোৱাৰী আৰু নাতি-নাতিনীৰ পৰিয়ালৰ লগতে পৰিয়ালৰ আত্মীয়ক আৰু বন্ধু-বান্ধৱীক ইহ সংসাৰত এৰি যায়। অভিনেত্ৰী গৰাকীৰ মৃত্যুত ডিব্ৰুগড়ত শোকৰ ছাঁ পৰে। ডিব্ৰুগড়ৰ সমাজিক অনুষ্ঠান চেন্টাৰ ফৰ ইছলামিক ষ্টাডিজৰ হৈ সভাপতি চেহিৰ আহমদ আৰু সম্পাদক এম হাছিম আলীয়ে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

# ড° দয়ানন্দ পাঠক ঃ জীৱন আৰু কৃতি

■ পৰেশ বৈশ্য



শিক্ষাবিদ, সাহিত্যিক, সমালোচক তথা শংকৰী সাহিত্যৰ সাধক ড° দয়ানন্দ পাঠক অসমৰ বৌদ্ধিক সমাজৰ এটি সুপৰিচিত নাম। কুৰি শতিকাৰ শেষাৰ্ধত আৰু একৈশ শতিকাৰ প্ৰথম ভাগত অসমৰ জাতীয় জীৱন সমৃদ্ধ কৰা অসমীয়াসকলৰ ভিতৰত ড° দয়ানন্দ পাঠক নিঃসন্দেহে লেখত ল'বলগীয়া। বিগত প্ৰায় চাৰিটা দশক ধৰি বিশেষকৈ অসমৰ উচ্চ শিক্ষাৰ উত্তৰণৰ হকে তেখেতে মাৰ্গদৰ্শন দি আহিছে। মূলতঃ ইংৰাজী সাহিত্যৰ ছাত্ৰ হৈয়ো তেখেতে অসমীয়া ভাষা-সাহিত্যৰ জগতখনলৈও অভূতপূৰ্ব বৰঙণি যোগাইছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ ৰচনা সম্ভাৰক লৈ গৱেষণা কৰাৰ উপৰিও তেখেতে গুৰু দুজনাৰ জীৱন দৰ্শন আৰু নাটক আদিক ইংৰাজীলৈ তৰ্জমা কৰি বিশ্বৰ বুকুত পৰিচয় কৰাই দি মহৎ কাৰ্য সাধিত কৰিছে। আনকি জ্যোতি প্ৰসাদ আগৰৱালাৰ কেইবাখনো নাটক তেখেতে ইংৰাজীত অনুবাদ কৰিছে। জীৱনটোক সকলো সময়তে বৌদ্ধিক কামত সংপৃক্ত কৰি ৰখা ড° পাঠকে অসমৰ জাতীয় জীৱনৰ সংকট কালত, জাতীয় সমস্যা সমাধানৰ ক্ষেত্ৰত সদায় বলিষ্ঠ মাৰ্গদৰ্শন দি অসমীয়া জাতিক সাহস যোগাই আছে।

পৰিৱৰ্তনত বিশ্বাসী ড° পাঠক কোনো বিশেষ ৰাজনৈতিক আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত নহয়। তেখেত এগৰাকী আপেক্ষিকতাবাদত বিশ্বাসী লোক। যিকোনো ৰাজনৈতিক আদৰ্শৰ বা দলৰ জনহিতৈষী সেৱাক প্ৰশংসা কৰা আৰু জনবিৰোধী কামৰ বিৰোধিতাৰে তেখেতৰ ৰাজনৈতিক দৰ্শন পৰিচালিত। সেয়ে কোনো ৰাজনৈতিক দলকেই তেখেতে বৈৰী বা মিত্ৰ বুলি স্থিতিত অটল নাথাকে। তেখেতে বিশ্বাস কৰে যে যিটো আজি গ্ৰহণযোগ্য সেইটো কাইলৈ বৰ্জনীয় হ'ব পাৰে। তেখেত এগৰাকী নিৰহংকাৰী, সদালাপী ব্যক্তি।

তেখেতৰ পিতৃ সৰ্বানন্দ পাঠক বৰপেটাৰ যদিও ৰে'ল বিভাগত চাকৰি কৰা সূত্ৰে আমিনগাঁৱত আছিল। আমিনগাঁৱতেই ১৯৫১ চনৰ পহিলা ফেব্ৰুৱাৰীত দয়ানন্দ পাঠকৰ জন্ম হয়। তেখেতৰ মাক পাৰ্বতীপ্ৰিয়া পাঠক আছিল শুৱালকুছীয়া। দয়ানন্দ পাঠকে আমিনগাঁৱতেই ৬২ নং আমিনগাঁও প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা লাভ কৰে। তেখেতে আমিনগাঁৱৰ তেতিয়াৰ শৰাইঘাট মধ্য ইংৰাজী বিদ্যালয়তো পঢ়ে। পাছত তেখেতে বৰপেটাৰোডৰ গোপীনাথ বৰদলৈ হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। তেখেতে প্ৰাক বিশ্ববিদ্যালয়ৰ শিক্ষা বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ পৰা লাভ কৰে। পাছত তেখেতে কটন কলেজৰ পৰা ইংৰাজী বিষয়ত অনাৰ্ছ সহ বি.এ পৰীক্ষা পাছ কৰে। ১৯৭২ চনত তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তেখেতে প্ৰথমতে পিএইছডি ডিগ্ৰীৰ বাবে এলাহাবাদ বিশ্ববিদ্যালয়ত অধ্যয়ন কৰে যদিও গাইডৰ সমস্যাই দেখা দিয়াত শেষত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰাই ১৯৮৩ চনত পিএইছডি ডিগ্ৰী লাভ কৰে। তেখেতৰ গৱেষণাৰ বিষয় আছিল ঃ দ্য ৰিলিজিয়াচ আইডিয়াজ অৱ জৰ্জ বাৰ্ণাড শ্ব'। তেখেতে ১৯৯৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা আইনৰ স্নাতক ডিগ্ৰীও লাভ কৰে।

ড° দয়ানন্দ পাঠকে অসম চৰকাৰৰ অসামৰিক সেৱাৰ বিষয়া হিচাপেও কিছুবছৰ কাম কৰিছিল। পাছত সেই চাকৰি ত্যাগ কৰি হাজোৰ সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে যোগদান কৰে। ১৯৮৩ চনৰ পৰা ২০০১ চনলৈকে তেখেতে প্ৰায় ১৮ বছৰকাল উক্ত মহাবিদ্যালয়ৰ অধ্যক্ষৰ পদ অলংকৃত কৰে। ২০০১ চনত তেখেতে সুৰেন দাস মহাবিদ্যালয়ৰ পৰা অধ্যক্ষ চাকৰি এৰি গুৱাহাটীৰ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে যোগদান কৰে। তাত অধ্যক্ষ হিচাপে কাম কৰি ২০১১ চনত তেখেতে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। দুখৰ বিষয় যে বিদায় পৰত দুয়োখন মহাবিদ্যালয়ৰ কোনোৱে তেওঁক আনুষ্ঠানিকভাৱে বিদায় সম্ভাষণ জনালে। এই কথা তেখেতে A Heap of Broken Images গ্ৰন্থত উল্লেখ কৰিছে। অৱসৰৰ পাছত তেখেতে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা হিচাপেও নাম পঞ্জীয়ন কৰে। তেখেতে অৱসৰৰ পাছত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ শংকৰদেৱ অধ্যয়নৰ প্ৰথমগৰাকী অধ্যাপক হিচাপে সেৱা আগবঢ়ায়। তেখেতে মেঘালয়ৰ ইউনিভাৰ্চিটি অৱ ছায়েঞ্চ এণ্ড টেকন'লজীৰো ইংৰাজীৰ অধ্যাপক হিচাপে সেৱা আগবঢ়াইছিল। অতি সম্প্ৰতি তেখেতে চণ্ডীগড়ৰ পঞ্জাব বিশ্ববিদ্যালয়ৰ শংকৰদেৱ অধ্যয়ন চেয়াৰৰ ভিজিটিং প্ৰফেচাৰ হিচাপে সেৱা আগবঢ়াই আছে। চাকৰিকালত আৰু অৱসৰৰ পাছতো তেখেতে এগৰাকী গৱেষক পণ্ডিত হিচাপে নিজৰ দায়িত্ব পালন কৰি আহিছে। তেখেতৰ অধীনত প্ৰায় বিশ জনে পিএইছডি ডিগ্ৰী আৰু এম.ফিল ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হৈছে।

ড° পাঠক ইংৰাজী সাহিত্যৰ ছাত্ৰ যদিও অসম ভাষা বিজ্ঞান সমিতিৰ লগতো জড়িত। তেখেতে অসম ভাষা বিজ্ঞান সমিতিৰ সম্পাদক, সভাপতিৰ পদ অলংকৃত কৰি অসমীয়া ভাষা চৰ্চাৰ এক পৰিৱেশ সৃষ্টি কৰাত অৰিহণা যোগাইছে। তেখেতে অসম সাহিত্য সভাৰ পত্ৰিকাখনৰো ১৯৯২-৯৩ আৰু ১৯৯৩-৯৪ দুটা কালৰ বাবে সম্পাদকৰ দায়িত্ব সফলতাৰে চম্ভালি মুঠ আঠটা সংখ্যা সম্পাদনা কৰে। তেখেত পত্ৰিকা সম্পাদক থকা সময়ছোৱাত অসম সাহিত্য সভা সভাপতিৰ আসন শুৱনি কৰিছিল ড° ভূপেন হাজৰিকা আৰু লক্ষ্যধৰ চৌধুৰীয়ে।

ড° পাঠক এগৰাকী সাংবাদিকো। তেখেতে সাপ্তাহিক 'অসমীয়া বৰ্তমান'ৰ মুখ্য সম্পাদক। তেখেত 'দ্য নিউজ প্লাছ' নামৰ ছেটেলাইট চেনেলটোৰো সম্পাদনা উপদেষ্টা। ইয়াৰ উপৰিও আন কেইবাজনো কাকত-আলোচনী সম্পাদনা অক্ষৰ সৈতে তেখেত জড়িত। অসমৰ আগশাৰীৰ প্ৰায়ভাগ নিউজ চেনেলত এগৰাকী আলোচক হিচাপে তেখেতে সেৱা আগবঢ়াই আহিছে।

তেখেতে হাজোৰ সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষ হৈ থকা সময়তেই ১৯৮৩ চনত লক্ষ্মী দাসৰ সৈতে বিবাহপাশত আবদ্ধ হয়। তেখেত এগৰাকী কন্যা আৰু এটি ল'ৰা সন্তানৰ পিতৃ।

ড° পাঠকে অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাতেই গ্ৰন্থ ৰচনা কৰি অসমীয়া ভাষা সাহিত্যৰ ভঁৰাল চহকী কৰিছে। তেখেতে ৰচনা কৰা ইংৰাজী গ্ৰন্থসমূহ হ'লঃ George Bernard Shaw Ê. His Religion and Values, Jyoti Prasad AgarwallaÊ.Man and Mission, Profile of a SaintÊ. Sri Sri Madhabdeva, Srimanta SankardevÊ. The Great Master, All for Assamese LanguageÊ. Lives and Studies, Two eminent Linguists ( Prof G.CGoswami & Prof U.N Goswami),Beautiful Mind of Srimanta Sankardeva, Playwright Peacher Sankardev. His Plays, Madhabdeva and His Plays,Apostles of Assam Vaisnavism. The Atapurushas,A Heap of Broken Images, Patterns of Thoughts, Poet-Playwright SankardevaÊ. Life and Legacy, Destination Hajo, Barpeta. A Bird's Eye View, Hajo. A Heritage, A Short History of Assamese Literature. তেখেতে আলফাৰ উত্থানক বিষয় হিচাপে লৈ Tales of a Dying River নামৰ ইংৰাজী উপন্যাস লিখিছে। তেখেতে কেইবাখনো ইংৰাজী গ্ৰন্থ সম্পাদনা কৰিছে। সেইকেইখন হ'ল ঃ Creative VisionÊ. Essays on Sankardeva and Neo Vaisnava Movement in Assam( co- editor), Bhakti Movement and Srimanta Sankardeva( chief editor ) , Pickings from Cottonian( co-editor). তেখেতে এতিয়ালৈকে পাঁচখন ইংৰাজীত লিখা কবিতাপুথি প্ৰকাশ কৰিছে। সেইকেইখন হ'ল ঃ Coral Island, The Golden Deer, Between Fire and Snow, The Pedestrian Looks Back আৰু Magic Edifice. ড° পাঠকৰ ইংৰাজী কবিতাসমূহৰ ওপৰত আন্তৰ্জাতিক পৰ্যায়ৰ গৱেষণা পত্ৰিকা কেইখনমানত সুন্দৰ আলোচনা হৈছে।

ড° পাঠকে অসমীয়া ভাষাতো কেইবাখনো মূল্যৱান গ্ৰন্থ লিখি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। সেইসমূহ হ'ল ঃ প্ৰাচ্য আৰু পাশ্চাত্য সাহিত্যত এভূমুকি, আধুনিক ইংৰাজী নাট্য সাহিত্যৰ ৰূপৰেখা, অসমীয়া নাটক আৰু পাশ্চাত্য প্ৰসংগ, সাহিত্য পৰিক্ৰমা, সাহিত্য সমন্বয়, সাহিত্য ঃ প্ৰাচ্য আৰু পাশ্চাত্য, ট্ৰেজেদিঃ উদ্ভৱ আৰু বিৱৰ্তন, সমন্বয় তীৰ্থঃ হাজো, সৈনিক শিল্পী বিষ্ণুপ্ৰসাদ ৰাভা আদি। তেখেতে শিশুসকলৰ বাবে তিনিখন গ্ৰন্থ লিখিছে। ঈশ্বৰৰ সন্ধানত সৰু ছোৱালীজনী, মুক্ত দেশৰ কথা আৰু গোপীনাথ বৰদলৈ তেখেতৰ শিশু উপযোগী গ্ৰন্থ।

ড° পাঠকে অনুবাদ সাহিত্যলৈও অনবদ্য অৱদান আগবঢ়াইছে। তেখেতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ছয়খন নাটক আৰু মাধৱদেৱৰ ন খন নাটক ইংৰাজীলৈ অনুবাদ কৰি গুৰু দুজনাৰ সৃষ্টিৰাজিক জগত সভালৈ নিছে। তাৰ বাবে অসমীয়া জাতি তেখেতৰ ওচৰত কৃতজ্ঞ হোৱা উচিত। তেখেতে জ্যোতি প্ৰসাদ আগৰৱালাৰ কাৰেঙৰ লিগিৰী, লভিতা আৰু ৰূপালীম নাট কেইখনো ইংৰাজীলৈ তৰ্জমা কৰি মহৎ কাম কৰিছে। ইংৰাজী সাহিত্যৰ ছাত্ৰ হিচাপে তেখেতে শ্বেইক্সপীয়েৰৰ ৰোমিও এণ্ড জুলিয়েট, জুলিয়াছ চিজাৰ, কিং লিয়াৰ, হেমলেট আৰু মেইজাৰ ফৰ মেইজাৰ এই ছয়খন নাটক অসমীয়া ভাষাত অনুবাদ কৰি প্ৰকাশ কৰিছে।

তেখেতে কেইবাখনো অসমীয়া গ্ৰন্থ সম্পাদনা কৰিছে। তাৰ ভিতৰত শংকৰদেৱ আৰু মাধৱদেৱৰ বৰগীত, নাট্য প্ৰসংগ, পৰেশ বৈশ্য ৰচনাৱলীৰ প্ৰথম আৰু দ্বিতীয় খণ্ড, বাণীকান্ত কাকতিৰ প্ৰতিভা, সতীশ চন্দ্ৰ কাকতি অভিনন্দন গ্ৰন্থ আৰু প্ৰিঞ্চিপাল পৰেশ বৈশ্য আদি উল্লেখযোগ্য।

অসমৰ জাতীয় জীৱনলৈ আগবঢ়োৱা বিশিষ্ট অৱদানৰ বাবে বিভিন্ন সামাজিক অনুষ্ঠানে ইতিমধ্যে তেখেতক ভালেমান বঁটা-সন্মানৰে কৃতজ্ঞতা জ্ঞাপন কৰিছে। তাৰ ভিতৰত পৰেশ বৈশ্য ফাউণ্ডেচনৰ 'শিক্ষাচাৰ্য' সন্মান, 'তিতকুছি বঁটা', 'ড° বাণীকান্ত কাকতি বঁটা', 'বিৰিণা সাহিত্য বঁটা', পৰেশ বৈশ্য ফাউণ্ডেচনৰ 'শংকৰদেৱ অধ্যয়ন বঁটা 'সাহিত্য ৰত্ন' সন্মান আৰু আন ভালেমান জাতীয় অনুষ্ঠানে তেখেতক জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰিছে। তেখেত ২০১৮ চনত অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনো লাভ কৰে। কিন্তু গুৰুদুজনাৰ অমূল্য নাট্য সম্ভাৰ ইংৰাজীলৈ অনুবাদ কৰি জাতীয় দায়িত্ব পালন কৰা ড° দয়ানন্দ পাঠকক অসম চৰকাৰে শংকৰদেৱ বঁটা বা মাধৱদেৱ বঁটাৰ বাবে নিৰ্বাচিত নকৰাটো সচাকৈয়ে পৰিতাপৰ বিষয়।

**ম'বাইল ঃ** ৯৮৫৯২-৬৩৯৭৩

# বৰাগাঁৱত শৈক্ষিক উন্নয়ন গোটৰ বাৰ্ষিক সভা সম্পন্ন

## অভিভাৱকৰ হাতপুথি প্ৰকাশৰ সিদ্ধান্ত

**গুৱাহাটী ঃ** কামৰূপ জিলাৰ শৈক্ষিক উন্নয়ন গোটৰ বাৰ্ষিক সভাখন ২১ ডিচেম্বৰত গুৱাহাটীৰ বৰাগাঁৱত অৱস্থিত বীণাপাণি একাডেমীত শৈক্ষিক উন্নয়ন গোটৰ সভাপতি ড° অপূৰ্ব ঠাকুৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে কামৰূপ জিলাৰ শৈক্ষিক উন্নয়ন গোটৰ বাৰ্ষিক প্ৰতিবেদন দাখিল কৰে শৈক্ষিক উন্নয়ন গোটৰ সম্পাদক অমিয় ৰয়ে। সভাত ভাগ লৈ কামৰূপ জিলাৰ শৈক্ষিক উন্নয়ন গোটৰ কাৰ্যকৰী সভাপতি পৰেশ বৈশ্যই বিগত সময়ছোৱাত এই অনুষ্ঠানটোৱে লৈ অহা ইতিবাচক পদক্ষেপৰ বিষয়ে আলোচনা কৰে। তেখেতে শৈক্ষিক উন্নয়ন গোটৰ কাম-কাজ আৰু অধিক বৌদ্ধিক কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত বীণাপাণি একাডেমী অধ্যক্ষ চম্পক কলিতাই বিশিষ্ট অতিথি হিচাপে ভাগ লৈ কামৰূপ জিলাৰ শৈক্ষিক উন্নয়ন গোটৰ কৰ্মসূচীৰ প্ৰশংসা কৰে। বিদ্যালয়খনৰ তৰফৰ পৰা অভ্যাগত সকলক ফুলাম গামোচাৰে সম্ভাষণ জনোৱা হয়। সভাত কামৰূপ জিলাৰ শৈক্ষিক উন্নয়ন গোটৰ তৰফৰ পৰা অভিভাৱকৰ বাবে এখনি হাতপুথি প্ৰকাশৰ সিদ্ধান্ত লোৱা হয়। সভাত উক্ত হাতপুথিখনৰ খচৰাখনৰ অনুমোদন জনোৱা হয়। সভাত বিশিষ্ট শিক্ষাবিদ ড° গণেশ্বৰ চহৰীয়াই হাতপুথিখনৰ বিষয়বস্তু আলোকপাত কৰে। অনুষ্ঠানত ড° বিজয়া ডেকা, সৰস্বতী দত্ত, মামণি কলিতাই উপস্থিত থাকি শৈক্ষিক ক্ষেত্ৰখনৰ উন্নতিৰ বিভিন্ন পৰামৰ্শ আগবঢ়ায়। সভাৰ সামৰণিত বীণাপাণি একাডেমীৰ তৰফৰ পৰা শৈক্ষিক উন্নয়ন গোটৰ সদস্যসকলক ফুলাম গামোচাৰে সম্ভাষণ জনায়। সামৰণিত সভাপতিৰ ভাষণত ঠাকুৰীয়াই প্ৰস্তাৱিত হাতপুথিখনে অসমৰ সকলো স্তৰৰ অভিভাৱকক উপকৃত কৰিব বুলি আশা প্ৰকাশ কৰে। শলাগৰ শৰাই আগবঢ়ায় শৈক্ষিক উন্নয়ন গোটৰ সম্পাদক অমিয় ৰয়ে।

# চাৰিখন গ্ৰন্থ-এক যুগৰ উদ্বেগ...

■ ৰমেন ভৰালী




বিশিষ্ট সাহিত্যিক, চিকিৎসক ডাঃ জয়ন্ত বিশ্ব শৰ্মাৰ শেহতীয়া চাৰিখন গ্ৰন্থ 'উদ্বেগ আৰু অনুদ্বেগ' শীৰ্ষক শৃংখলাৰ তিনিটা খণ্ড আৰু তাৰ সৈতে সংলগ্ন কিন্তু স্বৰভেদী গ্ৰন্থ 'ইংলণ্ডৰ চিঠি' আধুনিক অসমীয়া চিন্তাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ জন-নথি (Public Record) আৰু নিৰ্মোহ অবলোকন। চাৰিওখন একেলগে পঢ়িলে স্পষ্ট হয় এইকেইখন পৃথক ৰচনা নহয়, বৰং দুটা দশকৰো অধিক সময় জুৰি বিস্তৃত এক সুশৃঙ্খল বৌদ্ধিক যাত্ৰাৰ অংশ। একেলগে পঢ়িলে স্পষ্ট হয়-এইকেইখন পৃথক ৰচনা নহয়, বৰং দুটা দশকৰো অধিক সময়জুৰি বিস্তৃত এক সুশৃঙ্খল বৌদ্ধিক যাত্ৰাৰ অংশ। সমাজে কেনেকৈ চিন্তা কৰে, ভয় কৰে, ভুল কৰে।

উদ্বেগ আৰু অনুদ্বেগ নামাকৰণৰ কেন্দ্ৰীয় ধাৰণাটো নিজেই গভীৰভাৱে অৰ্থবহ-উদ্বেগ, অন্যায়, ব্যৰ্থতা আৰু বিপদ চিনাক্ত কৰাৰ অস্বস্তি আৰু অনুদ্বেগ, সেই অস্বস্তিৰ মাজতো বিচাৰ, সংযম আৰু নৈতিক দায়িত্ব ৰক্ষা কৰাৰ ক্ষমতা। এই দ্বৈত অভূতিৰ মাজতে ড° শৰ্মাৰ প্ৰবন্ধসমূহে নিজৰ স্থান লৈছে। এইবোৰ একাডেমিক প্ৰবন্ধ নহয়, নীতিগত ঘোষণাও নহয়-ইয়াৰ জন্ম হৈছে বাতৰি কাকতৰ কলাম হিচাপে, সাধাৰণ কিন্তু চিন্তাশীল পঢ়ুৱৈক লক্ষ্য কৰি। কিন্তু একেলগে পঢ়িলে এইবোৰ এখন সমাজৰ বৌদ্ধিক আত্মজীৱনীৰ ৰূপ লয়।

প্ৰথম খণ্ড (২০১২-২০১৭)ত স্বাস্থ্যসেৱাৰ গুণমান, ৰোগী সুৰক্ষা আৰু পেচাদাৰী নৈতিকতাৰ দৰে বিষয়সমূহ কেন্দ্ৰীয় হৈছে। ড° শৰ্মাই চিকিৎসাবিজ্ঞানৰ অভিজ্ঞতাৰ পৰা আৰম্ভ কৰি দেখুৱাইছে-স্বাস্থ্যখণ্ডৰ ব্যৰ্থতা কেৱল প্ৰশাসনিক বা প্ৰযুক্তিগত সমস্যা নহয়, ই মূলতঃ নৈতিক ব্যৰ্থতা। ইয়াত সাহিত্য আৰু দৰ্শন-চুইফ্‌ট, অৰৱেল, প্লেটো-কেৱল উদ্ধৃতি নহয়, বৰং সামাজিক পৰিঘটনাৰ বিশ্লেষণৰ সঁজুলি। এই খণ্ডখনত এটা 'নৈতিক অশান্তি' অনুভৱ হয়-যি সমাজক প্ৰশ্ন কৰিবলৈ বাধ্য কৰে।

দ্বিতীয় খণ্ড (২০১৮-২০২৫) ত এই প্ৰশ্নবোৰ অধিক জটিল হয়। এইটো তথ্য-অধিক্য, ডিজিটেল মাধ্যম আৰু প্ৰতিষ্ঠানগত বিশ্বাসৰ সংকটৰ সময়। ইয়াত ড° শৰ্মাই সুধিছে-যেতিয়া সকলোৱে তথ্যৰ উদ্ধৃতি দিয়ে, তেতিয়া সত্য কেনেকৈ চিনাক্ত কৰা যায়? মিডিয়া, প্ৰযুক্তি আৰু ৰাজনীতিয়ে একেলগে জন-যুক্তিক কেনেকৈ প্ৰভাৱিত কৰে? এই খণ্ডত একে সময়তে লিখা ক'ভিড-১৯ সম্পৰ্কীয় লেখাসমূহ সচেতনভাৱে আঁতৰাই ৰখা হৈছে, কিয়নো মহামাৰীটোৱে নিজেই এক পৃথক বৌদ্ধিক গাথা সূচিত কৰে। সেই গাথাৰ পূৰ্ণ প্ৰকাশ ঘটিছে তৃতীয় খণ্ডত-'ক'ভিড-১৯ গাথাঃ ভ্ৰম আৰু বাস্তৱ'। এই গ্ৰন্থখন ঘটনাৰ পিছত জ্ঞানী হৈ লিখা ইতিহাস নহয় বৰং সংকটৰ মাজতেই লিখা ই এক জীৱন্ত নথি। তাৰিখ অনুসৰি দিনলিপিৰ আৰ্হিৰ লেখাসমূহে সেই সময়ৰ অনিশ্চিত জ্ঞান-পৰিস্থিতিকেই প্ৰতিফলিত কৰে-অসম্পূৰ্ণ তথ্য, পৰস্পৰবিৰোধী বিশেষজ্ঞ মত, ৰাজনৈতিক চাপ আৰু গণমাধ্যম-সৃষ্ট আতংক। ইয়াৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশ হ'ল অসমৰ অভিজ্ঞতাক বিশ্বজনীন মহামাৰীৰ প্ৰেক্ষাপটত স্থাপন কৰা। এইখন গ্ৰন্থখনে দেখুৱাইছে যে বৈজ্ঞানিক সিদ্ধান্ত সদায় মূল্য-নিৰপেক্ষ নহয়। ইয়াৰ সৈতে নৈতিকতা, অসমতা আৰু সামাজিক পৰিণতি জড়িত। যদি 'উদ্বেগ আৰু অনুদ্বেগ' শৃংখলাটোৱে প্ৰাপ্তবয়স্কৰ বিবেকৰ সৈতে সংলাপ কৰে, তেন্তে 'ইংলণ্ডৰ চিঠি' সংকলনটোৱে সেই সংলাপক যুৱ প্ৰজন্মলৈ লৈ গৈছে। দহ বছৰ জুৰি বাৰ ওঠৰ কিশোৰ আলোচনীখনত প্ৰকাশিত এই চিঠিসমূহে উপদেশ নিদিয়ে, ই কথা পাতে। বিশ্বৰ ঘটনা, বিজ্ঞান, ৰাজনীতি বা দৰ্শনৰ পৰা আৰম্ভ কৰি, প্ৰতিখন চিঠিয়ে শেষত মানুহ হোৱাৰ প্ৰশ্নটোলৈয়েই ঘূৰি আহে-দয়া, ন্যায়, দায়িত্ব আৰু সহানুভূতি। এই গ্ৰন্থখনৰ শেষত থকা মুক্ত-উৎসভিত্তিক থিমেটিক ৰেফাৰেন্সসমূহে কিশোৰ পাঠকক নিজে ভাবিবলৈ আৰু আগবাঢ়িবলৈ উৎসাহ দিয়ে।

এই চাৰিখন গ্ৰন্থ একেলগে পঢ়িলে এটা কথা স্পষ্ট হয়-ইয়াৰ গুৰুত্ব 'কি কোৱা হৈছে' তকৈ 'কেনেকৈ চিন্তা কৰা হৈছে'ত অধিক। তথ্যৰ কোলাহল, আতংক আৰু ধ্ৰুৱীকৰণৰ এই সময়ত বিশিষ্ট সাহিত্যিক, চিকিৎসক ডাঃ জয়ন্ত বিশ্ব শৰ্মাৰ লেখা এক নীৰৱ কিন্তু দৃঢ় আহ্বান-অন্যায়ৰ প্ৰতি উদ্বিগ্ন হওঁ, কিন্তু আতংকিত নহওঁ-প্ৰশ্ন কৰোঁ, কিন্তু সংযম নেহেৰুৱাওঁ। আধুনিক অসমীয়া চিন্তাৰ ক্ষেত্ৰত এই চাৰিখন কেৱল গ্ৰন্থ নহয়-এইকেইখন জন-যুক্তিৰ এক দীঘলীয়া পাঠ।

**ম'বাইল ঃ ৯৭০৬০-৬৪৪৫**

# নগাঁৱত কৃষি সামগ্ৰী ব্যৱসায়ীৰ পোন্ধৰ দিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ শুভাৰম্ভ




**জয়ন্ত মুদৈ, নগাঁও ঃ** অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট আৰু ৰাজ্যিক সমবায় সমিতিৰ যুটীয়া উদ্যোগত তথা কৃষি বিজ্ঞান কেন্দ্ৰ, নগাঁৱৰ দ্বাৰা আয়োজিত কৃষি সামগ্ৰী ব্যৱসায়ীৰ পোন্ধৰ দিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ মঙলবাৰে শুভাৰম্ভ কৰা হয়। এই উপলক্ষে নগাঁৱৰ শিমলুগুৰিস্থিত কৃষি বিজ্ঞান কেন্দ্ৰত অনুষ্ঠিত হোৱা এক অনুষ্ঠানত আৰম্ভণি ভাষণ প্ৰদান কৰি কেন্দ্ৰটিৰ জ্যেষ্ঠ বিজ্ঞানী তথা মুৰব্বী ড° ভবেশ চন্দ্ৰ ডেকাই কৃষি সামগ্ৰী ব্যৱসায়ীসকলক এই পোন্ধৰ দিনীয়া প্ৰশিক্ষণৰ দ্বাৰা প্ৰয়োজনীয় জ্ঞানেৰে সমৃদ্ধ কৰি উপযুক্ত সময়ত কৃষকসকলৰ বাবে প্ৰয়োজনীয় সামগ্ৰীসমূহ মজুত ৰাখি সহায় কৰাৰ লগতে কৃষি ব্যৱস্থাপনা, বিভিন্ন কৃষি প্ৰযুক্তিৰ পৰামৰ্শ প্ৰদানৰ জৰিয়তে কৃষকসকলৰ উত্তম কৃষি কাৰ্যত সহযোগিতা কৰাৰ কৰ্তব্য পালন কৰিব বুলি মন্তব্য কৰে। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি নগাঁও, মৰিগাঁও আৰু হোজাই জিলাৰ সমবায় সমিতিৰ সহকাৰী পঞ্জীয়ক মৰমী ভকতে প্ৰদান কৰা নিজৰ ভাষণত কৃষি সামগ্ৰী ব্যৱসায়ীসকলে একাগ্ৰতাৰে প্ৰশিক্ষণ গ্ৰহণ কৰি পৰৱৰ্তী সময়ত নিজৰ অঞ্চলৰ কৃষকসকলক প্ৰয়োজনীয় পৰামৰ্শ প্ৰদান কৰিলে কৃষকসকল উপকৃত হ'ব বুলি মত প্ৰকাশ কৰে। কেন্দ্ৰৰ ভূমি বিজ্ঞান বিশেষজ্ঞ দীপেন চন্দ্ৰ নাথে আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত উদ্যান শস্য বিশেষজ্ঞা জুলি শৰ্মা, প্ৰকল্প সহযোগী ৰূপক কুমাৰ টায়ে, পাম পৰিচালক শংকু মনি শৰ্মাকে আদি কৰি কৃষি বিজ্ঞান কেন্দ্ৰৰ কৰ্মচাৰীসকল উপস্থিত থাকে। উল্লেখ্য, নগাঁও, মৰিগাঁও আৰু হোজাই জিলাৰ মুঠ ২২ খন সমবায় সমিতিৰ প্ৰতিনিধিয়ে অংশ গ্ৰহণ কৰা এই প্ৰশিক্ষণ কাৰ্যসূচীৰ অহা ১২ জানুৱাৰীত সামৰণি পৰিব।

# প্ৰকৃত শিক্ষা চাৰ্টিফিকেটত নহয়, আচৰণতহে প্ৰস্ফুটিত হয় ঃ পৰেশ বৈশ্য

## শুৱালকুছি সনাতন বালিকা প্ৰাথমিকৰ বঁটা বিতৰণী সভা সম্পন্ন



**শুৱালকুছি ঃ** কেৱল পাঠ্যপুথিতেই জীৱনৰ শিক্ষা নাথাকে। পৰিৱেশ আৰু অভিজ্ঞতাৰ জৰিয়তে লাভ শিক্ষাইহে জীৱন মহীয়ান কৰে। সদায় আমি মাতৃভাষাত শিক্ষা লাভত গুৰুত্ব দিব লাগে। ই শিক্ষা আহৰণৰ বিজ্ঞানসন্মত পদ্ধতি। মাতৃভাষাবিহীন মাধ্যমৰ জৰিয়তে শিক্ষা গ্ৰহণ কৰাটো আত্মহত্যাৰ দৰে। মাতৃভাষাৰ জৰিয়তে শিক্ষাৰ্থীয়ে শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত হ'লে তেওঁলোকে উদ্ভাৱনী শক্তি হেৰুৱায়। শুৱালকুছি সনাতন বালিকা প্ৰাথমিক বিদ্যালয়ৰ বঁটা বিতৰণী সভাত মুখ্য অতিথি হিচাপে ভাগ লৈ শিক্ষাবিদ পৰেশ বৈশ্যই এইদৰে কয়। তেওঁ কয় যে প্ৰকৃত শিক্ষা চাৰ্টিফিকেটত নহয়, আচৰণতহে প্ৰস্ফুটিত হয়। বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰশান্ত দাসৰ সভাপতিত্বত অনুষ্ঠিত বঁটা বিতৰণী সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে শুৱালকুছি সনাতন বালিকা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী শেৱালি বৈশ্যই। বন্তি প্ৰজ্বলন কৰে বিশিষ্ট শিক্ষাবিদ পৰেশ বৈশ্যই। অনুষ্ঠানৰ আৰম্ভণিতে জুবিন গাৰ্গৰ প্ৰতিকৃতিত শ্ৰদ্ধাঞ্জলি জনাই সকলোৱে 'মায়াবিনী ৰাতি' গীতটো পৰিৱেশন কৰে। মুকলি সভাত পাঁচগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক কনক শৰ্মা আৰু শুৱালকুছি মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক কমল কৃষ্ণ নাথ, হাজোৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ইনামুল মজিদ, পুঠিমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক হীৰেন দাস, কামৰূপৰ জিলা আঁচনি বিষয়া ফুলপাহি নাথে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। মুকলি সভাত বিদ্যালয়খনৰ হাতেলিখা আলোচনী 'সনাতন' উন্মোচন কৰে কনক শৰ্মাই। আলোচনীখন কৰি কনক শৰ্মাই কয় যে এখন বিদ্যালয় আলোচনী হ'ল শিক্ষাৰ্থীসকলক প্ৰতিভাৰ স্বাক্ষৰ। সভাত খেল-ধেমালি, সাংস্কৃতিক প্ৰতিযোগিতা আৰু পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰীক বঁটা প্ৰদান কৰা হয়। সভাত ছাত্ৰীসকলে বিচিত্ৰ সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। সভাত অৱসৰপ্ৰাপ্ত শিক্ষক ভূপেন দাস প্ৰমুখ্যে অভিভাৱক-অভিভাৱিকা আৰু বহুসংখ্যক ছাত্ৰী উপস্থিত থাকে।

# কামৰূপ জিলাত বিশ্বাস যাত্ৰা উপলক্ষে মটৰ চাইকেলৰেলী



**ৰমেন ভৰালী, বংশৰ ঃ** বিশ্বাস যাত্ৰাৰ অংশ হিচাপে যোৱা ২২ ডিচেম্বৰত কামৰূপৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ পৰা অসম মহিলা আয়োগৰ অধ্যক্ষা আঙুৰলতা ডেকাৰ নেতৃত্বত উলিওৱা মটৰ চাইকেলৰেলীৰ ফ্লেগঅফ কৰে জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই। ফ্লেগ অফ্ কৰি জিলা আয়ুক্ত গৰাকীয়ে কয় যে - অসম মহিলা আয়োগে আয়োজিত এই বাইক ৰেলীখন 'বিশ্বাস যাত্ৰা'ৰ অংশ হিচাপে ৰাজ্যজুৰি মহিলাৰ সুৰক্ষা আৰু সৱলীকৰণৰ প্ৰতি সজাগতা বৃদ্ধি কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। লগতে তেওঁ উল্লেখ কৰে যে 'মহিলাসকলৰ সুৰক্ষা, ন্যায় আৰু সন্মান নিশ্চিত কৰাটো কেৱল চৰকাৰৰ দায়িত্ব নহয়, সমাজৰ প্ৰতিটো স্তৰৰ সকলোৱে একেলগে কাম কৰিলেহে এই লক্ষ্য পূৰণ হ'ব। তেওঁ লগতে আশা প্ৰকাশ কৰে যে এই ৰেলীৰ জৰিয়তে গাঁও-গাঁৱলৈ মহিলাসকলৰ অধিকাৰ, স্বনিৰ্ভৰতা আৰু ন্যায়প্ৰাপ্তিৰ বিষয়ে জনসাধাৰণৰ মাজত এক ইতিবাচক সজাগতা সৃষ্টি হ'ব। অনুষ্ঠানত অংশগ্ৰহণ কৰি অসম মহিলা আয়োগৰ অধ্যক্ষা আঙুৰলতা ডেকাই কয় যে 'বিশ্বাস যাত্ৰা'ৰ লক্ষ্যক জনমুখী কৰি তোলাৰ চিন্তা-চেতনাৰ মূল চালিকা শক্তি স্বৰূপ আমাৰ গাঁৱে-ভূঞে বিভিন্ন সেৱাত কৰ্মৰত আশাকৰ্মী, অঙ্গনবাড়ী কৰ্মী, জীৱিকাসখী, পঞ্চায়ত প্ৰতিনিধি, জিলা পৰিষদৰ প্ৰতিনিধি ইত্যাদি সকলৰ প্ৰত্যক্ষ অথবা পৰোক্ষ সহযোগিতাইহে মহিলা সুৰক্ষা, সন্মান আৰু সৱলীকৰণক ফলপ্ৰসূ ৰূপায়িত কৰিব। লিংগ সমতা, মহিলাৰ ওপৰত হোৱা হিংসা প্ৰতিৰোধ, মহিলা আৰু ছোৱালীসকলৰ বাবে উপলব্ধ কল্যাণমূলক আঁচনিৰ বিষয়ে সজাগতা বৃদ্ধি আৰু 'বেটী বাচাও বেটী পড়াও' (BBBP)ৰ উদ্দেশ্য সমূহক বাস্তৱায়িত কৰি তোলাৰ লগতে তেখেতে কয় যে 'এয়া কেৱল বাইক ৰেলী নহয়' আমি পুৰুষ আৰু মহিলা ৰাইডাৰৰ মিশ্ৰণৰ এই ৰেলীৰ জৰিয়তে ৰাজ্যৰ মহিলাসকলৰ মাজত আত্মবিশ্বাসৰ বিষয়ে সজাগতা সৃষ্টি কৰিব বিচাৰো। তেওঁলোকক শক্তিশালী কৰিব বিচাৰো আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল মহিলাসকলৰ বাবে ন্যায় প্ৰতিষ্ঠা কৰিব বিচাৰো। এই বাইকৰেলী কামৰূপৰ পৰা আৰম্ভ কৰি দৰং, ওদালগুৰি আৰু তামুলপুৰ জিলালৈ যোৱা হ'ব বুলি কয়। অনুষ্ঠানত অসম মহিলা আয়োগৰ সদস্য সচিব অন্তৰা গগৈ, কামৰূপ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত গীতাশ্ৰী লাচিত, জিলা সমাজ কল্যাণ বিষয়া ভুপেন ভট্টাচাৰ্যৰ লগতে জিলা প্ৰশাসনৰ বিভিন্ন বিষয়া কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে।

# ডিব্ৰুগড়ত সাহিত্যিক শিক্ষাবিদ ড° নগেন শইকীয়াক সন্মান ঃ কেলেণ্ডাৰত পূৰ্ণাঙ্গ ফটো পি চি প্ৰিণ্টছফ্‌টৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** ডিব্ৰুগড়ত বিশিষ্ট সাহিত্যিক -পণ্ডিত- গৱেষক- শিক্ষাবিদ তথা জাতীয় জীৱনৰ হকে মাত মাতি অহা বুদ্ধিজীৱী ড° নগেন শইকীয়াক ডিব্ৰুগড়ৰ এটা ছপাশাল পি চি প্ৰিণ্টছফ্‌ট প্ৰতিষ্ঠানৰ ২০২৬ চনৰ কেলেণ্ডৰখনত শইকীয়াদেৱৰ এখন পূৰ্ণাংগ ফটো ছপা কৰে। বিশিষ্ট সাহিত্যিকগৰাকীয়ে নিজেই তেখেতৰ বাসগৃহত কেলেণ্ডাৰখন উন্মোচন কৰি কয়— "এটি অভাবনীয় কথা যে পি চি প্ৰিণ্টছফ্‌টে মোৰ বাবে এখন দিনপঞ্জী এইবাৰ মোৰ নামত উলিয়াইছে। মই সঁচাকৈয়ে আনন্দিত হৈছোঁ আৰু সন্মান অনুভৱ কৰিছোঁ। মই আশা কৰোঁ আমাৰ এই ডেকাচামৰ মনৰ আশা-আকাংক্ষাই আমাৰ ৰাজ্যখন তথা আমাৰ জাতিটোৰ বাবে কামত আহক। পি চি প্ৰিণ্টছফ্‌টৰ স্বত্বাধিকাৰী প্ৰাঞ্জল পাত্ৰই মোৰ বাবে এটা বৰ ডাঙৰ কাম কৰিলে, মই তেওঁক হিয়াভৰা আশীৰ্বাদ জনালোঁ।" উন্মোচনী অনুষ্ঠানটোত ডিব্ৰু মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ বীৰেন বৰুৱা, শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ ভূষণজ্যোতি সন্দিকৈ, নাট্যকাৰ-অভিনেতা ড° নীলিম চেতিয়া, সাংবাদিক যাদৱ গগৈ, আলোকচিত্ৰ শিল্পী সৌৰভ দুৱৰাৰ লগতে পি চি প্ৰিণ্টছফ্‌টৰ স্বত্বাধিকাৰ প্ৰাঞ্জল পাত্ৰ উপস্থিত আছিল। পাত্ৰই আঁত ধৰি কয় যে বিশিষ্ট পণ্ডিত-সাহিত্যিকগৰাকীক বিশেষ এটা সন্মান জনোৱাৰ উদ্দেশ্যে কেলেণ্ডাৰখনত ড° নগেন শইকীয়াৰ পূৰ্ণাংগ এখন আলোকচিত্ৰ ছপা কৰে। এবছৰীয়া কেলেণ্ডাৰখনৰ আয়ুস শেষ হৈ যোৱাৰ পাছতো যাতে অনুৰাগীসকলে শইকীয়াদেৱৰ ফটোখন ৰাখিব পাৰে, সেই সুবিধাৰে কেলেণ্ডাৰখন ডিজাইন কৰা হৈছে। গতিকে তেওঁ আহ্বান জনাই বছৰটো শেষ হৈ যোৱাৰ পাছতো যাতে কেলেণ্ডাৰখন পেলাই নিদি শইকীয়া ছাৰৰ ফটোখন কাটি সংৰক্ষণ কৰি ৰাখে। উল্লেখ্য যে ডিব্ৰুগড়ৰ এটি অন্যতম ছপাশালৰ স্বত্বাধিকাৰী প্ৰাঞ্জল পাত্ৰই পেছাগত ছপাশালৰ কামৰ সমান্তৰালভাৱে ডিব্ৰুগড়ৰ বিভিন্ন সামাজিক-সাংস্কৃতিক কামত নিজকে নিয়োজিত কৰি ৰাখিছে। তেওঁ অসমৰ জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ জন্মৰ দিনত 'ওপজা দিনৰ ৰং' শীৰ্ষক এক অনুষ্ঠান আয়োজন কৰে। অনুষ্ঠানত তেওঁ লিখা 'কি দিলা গানেৰে তুমি' শীৰ্ষক গীতটো অসমৰ এগৰাকী বিশিষ্ট কণ্ঠশিল্পী তৰালি শৰ্মাৰ কণ্ঠদানেৰে জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই মুকলি কৰে। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত অনুষ্ঠিত অনুষ্ঠানটোত প্ৰাঞ্জল পাত্ৰৰ সংগীত প্ৰযোজনা প্ৰতিষ্ঠান 'ভ'কেল নেষ্ট'ৰ শুভাৰম্ভ কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আৰু 'কি দিলা গানেৰে তুমি' গীতটো শুভমুক্তি কৰে বিশিষ্ট ঔপন্যাসিক জুৰী বৰা বৰগোহাঞিয়ে। ইতিমধ্যে গীতটো শ্ৰোতা ৰাইজে আদৰি লৈছে। এনেদৰেই যুৱ ব্যৱসায়ীগৰাকী ব্যৱসায়িক কাম-কাজৰ সমান্তৰালভাৱে সামাজিক-সাংস্কৃতিক কৰ্মবোৰ কৰি আহিছে।

# শিৱসাগৰত জিলা আয়ুক্ত আয়ুস গৰ্গৰ দ্বাৰা 'জ্ঞানকোষ' নামাকৰণেৰে নতুন ৰূপত জিলা পুথিভঁৰাল মুকলি




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত আয়ুস গৰ্গ (ভাৰতীয় প্ৰশাসনিক সেৱা) এ আনুষ্ঠানিকভাৱে আধুনিকৰূপত 'জ্ঞানকোষ' নামাকৰণেৰে জিলা পুথিভঁৰালটো অলপতে মুকলি কৰে। উল্লেখযোগ্য যে, শিৱসাগৰ জিলা পুথিভঁৰালক এক আকৰ্ষণীয় আৰু আধুনিক ৰূপ দিয়াৰ উদ্দেশ্যে জিলা আয়ুক্ত আয়ুস গৰ্গৰ ঐকান্তিক প্ৰয়াসৰ ফলশ্ৰুতিত যোৱা ২১ ডিচেম্বৰত শিৱসাগৰ জিলা পুথিভঁৰালে লাভ কৰিলে এক নতুন আৰু আধুনিকস্বৰূপ 'জ্ঞানকোষ'। নুমলীগড় শোধনাগাৰ (NRL) আৰু জিলা খনিজ কোষ (DMFT) ৰ প্ৰায় ৩০ লাখ টকাৰ আৰ্থিক সাহায্যৰে সম্পূৰ্ণ কৰা এই প্ৰকল্পৰ জৰিয়তে অতি কম সময়ৰ ভিতৰত জিলাখনৰ ১৫০ খন বিদ্যালয় পুথিভঁৰাল ডিজিটেল মাধ্যমৰে সংযোজিত কৰা হৈছে। লগতে প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে পুথিভঁৰালটো আধুনিকভাৱে সাজু কৰি তোলা হৈছে বুলিও জিলা আয়ুক্ত আয়ুস গৰ্গে উল্লেখ কৰে। আনহাতে জিলা প্ৰশাসনে গ্ৰহণ কৰা এনে পদক্ষেপক শিৱসাগৰৰ অগ্ৰণী সামাজিক ও সাংস্কৃতিক অনুষ্ঠান 'সমন্বয় সাংস্কৃতিক গোষ্ঠী'য়ে আদৰণি জনাইছে।

# আমাৰ সমাজত জাৰকালি জুই পুৱাৰ পৰম্পৰা



■ **শংকৰ দেৱ,**
দেৰগাঁও

**প্ৰা**চীন কালৰে পৰাই আমাৰ অসমীয়া সমাজৰ ঐতিহ্য আৰু মিলনৰ এক অমূল্য পৰম্পৰা হৈছে জাৰকালি জুই পুৱাৰ পৰম্পৰা। বিশেষকৈ শীতৰ অন্ত ভাগত, অৰ্থাৎ পোহ মাহৰ শেষৰ ফালে জুই জ্বলাই উম লোৱা প্ৰথা প্ৰাচীন কালৰে পৰাই প্ৰচলিত হৈ আছে। ই অসমৰ গাঁও-চহৰ সকলো ঠাইতেই পালন কৰা দেখা পোৱা যায়। সময়ৰ সোঁতত যদিও বহু পৰম্পৰা বিলুপ্ত হ'ব ধৰিছে, তথাপিও জাৰকালিৰ জুই পুৱাৰ পৰম্পৰা আজিও অনেক ঠাইত জীৱন্ত ৰূপে টিকি আছে। অসমৰ সাংস্কৃতিক জীৱন শৈলীত ই এক বিশেষ স্থান অধিকাৰ কৰি ৰাখিছে।

শীতৰ দিনবোৰত মানুহে গৰমৰ অভাৱত বহু কষ্ট পায়, তাৰ লগে লগে শস্য কটা, নতুন ধানেৰে ভঁৰাল পূৰ কৰা, গছ-গছনিৰ কিছু অংশ শুকাই যোৱা, এনেধৰণৰ প্ৰকৃতিৰ এক নিৰ্জীৱ অৱস্থা দেখা পোৱা যায়। এই সময়তেই অসমীয়া কৃষিজীৱী সমাজে জুই পুৱাৰ যাক 'জাৰকালিৰ জুই' বুলি অভিহিত কৰা হয়। এই জুইৰ আগচুই লৈ মানুহে গৰমৰ তাপ পায়, ঠাণ্ডা দূৰ কৰে আৰু আনন্দৰে বসন্তৰ পৰিৱেশক আদৰণি জনায়।

সাধাৰণতে গাঁৱৰ পৰিৱেশৰ মানুহে সৰু-বৰ, পুৰুষ-মহিলা সকলো একেলগ হৈ শুকান পাত, গছৰ শুকান ডাল কাটি সংগ্ৰহ কৰি সন্ধিয়া বা নিশা জুই পুৱাৰ সময়ত ঢোল-তালৰ ধ্বনি, হাঁহি-ধেমালি, ল'ৰা-ছোৱালীৰ আনন্দৰ হাঁহিৰে গাঁওখন মুখৰিত হৈ উঠে। সামাজিক দিশত জাৰকালিৰ জুইৰ তাপ লোৱা মানেই হৈছে গাঁওবাসীৰ মিলন-মেলৰ এক সোণালী পৰিৱেশ। এই সময়ত মানুহে নিজৰ দৈনন্দিন ব্যস্ততা ভুগি একেলগ হৈ বহে, পৰম্পৰৰ সুখ-দুখ ভাব প্ৰকাশ কৰে, নতুন নতুন একোটা সম্পৰ্ক গঢ় লৈ উঠে, বিশেষকৈ বয়স্ক ব্যক্তিসকলে এই জুই মেলৰ ওচৰত নিজৰ জীৱনৰ অভিজ্ঞতা আৰু ঐতিহ্য ভৰা কাহিনীবোৰ নৱ প্ৰজন্মৰ সৈতে ভাগ বিতৰণ কৰে, যাৰ ফলত আমাৰ সামাজিক বান্ধোন মজবুত হয় আৰু নৱ প্ৰজন্মৰ মাজত সাংস্কৃতিক সেতু গঢ় লৈ উঠে। কোনো কোনো ঠাইত জাৰকালি জুই জ্বলাই সাধুকথা কোৱা, গীত গোৱা, জুইত আলু আদি পুৰি খোৱা পৰম্পৰাও দেখা পোৱা যায়। এই ধৰণৰ কথাবোৰে বিশেষকৈ অতীতৰ পৰাই আমাৰ লোকসাহিত্যৰ গভীৰতা স্পষ্ট কৰা দেখা পোৱা যায়।

পৰম্পৰাগত লোকবিশ্বাসত আছে যে জাৰকালি জুই পুৱাৰ শীতৰ অন্ত আৰু নতুন বতৰৰ অৰ্থাৎ বসন্তৰ আগমণ ঘটোৱা হয়। মানুহে বিশ্বাস কৰে যে, এই জুইৰ ধোঁৱাই দোষ-অমঙ্গল দূৰ কৰি ঘৰত শান্তি আৰু সমৃদ্ধি কঢ়িয়াই আনে। কৃষিজীৱী সমাজৰ দৃষ্টিতো ই অত্যন্ত তাৎপৰ্যপূৰ্ণ, কাৰণ এই সময়তে নতুন বছৰৰ শস্য উৎপাদনৰ প্ৰস্তুতি আৰম্ভ হয়।

আজিৰ এই আধুনিক পৰিৱেশত বৈজ্ঞানিক দিশৰপৰা চালে, এই পৰম্পৰাৰ বহু স্বাস্থ্যগত উপকাৰিতাও আছে যেনেকৈ জুইৰ তাপ ল'লে শৰীৰৰ ৰক্ত সঞ্চালন বাঢ়ে, ঠাণ্ডা, ফ্লু, বা ছৰ্দি-কাহৰ দৰে ৰোগৰ পৰা ৰক্ষা পোৱা যায়। লগতে মনৰো এক ধৰণৰ উল্লাস আৰু তৃপ্তি অনুভৱ হয়, যাৰ ফলত মানসিকভাৱে মানুহ সতেজ হয়।


জাৰকালি জুইৰ তাপ লোৱা কেৱল শীতৰ উষ্ণতা লাভৰ উপায় নহয়, ই হৈছে মানুহৰ জীৱনৰ উল্লাস, মিলনৰ উৎসৱ আৰু প্ৰকৃতিৰ সৈতে গভীৰ সম্পৰ্কৰ প্ৰতীক। এই পৰম্পৰাই দেখুৱাই দিয়ে যে, মানুহে প্ৰকৃতিৰ সৈতে মিলি থাকিলে জীৱনৰ প্ৰতি কৃতজ্ঞতা, আনন্দ আৰু শান্তি অনুভৱ কৰিব পাৰে। সেয়ে, আমাৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ বাবে এই ধৰণৰ পৰম্পৰা সদায় জীয়াই ৰাখিব লাগিব।

আজিৰ এই আধুনিক সময়ত যান্ত্ৰিক জীৱনৰ চাপৰ মাজতো এনে পৰম্পৰা হ্ৰাস পাইছে, যদিও গাঁওবাসীৰ মাজত এই পৰম্পৰাৰ প্ৰতি এক বিশেষ সন্মান আৰু অনুভৱ এতিয়াও বৰ্তি আছে। বহু ঠাইত বিদ্যালয়, সাংস্কৃতিক সংগঠন আৰু যুৱ ক্লাৱে মিলি এই পৰম্পৰা সংৰক্ষণৰ প্ৰচেষ্টা কৰিছে। ই অসমৰ সমাজজীৱন আৰু সংস্কৃতিক ঐক্যৰ এক উজ্বল দৃষ্টান্ত।

**ম'বাইল ঃ ৭০০২৭-৮১৮৪১**

# বনভোজ শীতৰ এক আমেজ

■ **অনামিকা (সংগীতা) কলিতা, শুৱালকুছি**



**স**ময়বোৰ পাখি লগা কাঁড়ৰ দৰে গৈ আছে। ডিচেম্বৰ মাহ শেষ হ'ব। বনভোজৰ সময়। বনভোজ নামটোৱে এছাটি শীতল বতাহ কঢ়িয়াই লৈ আহে আমাৰ জীৱনত। ব্যস্ততাৰ পৃথিৱীখনত যান্ত্ৰিকতাৰ জীৱনৰ অকণমান অৱসাদ দূৰ কৰা মাধ্যম হ'ল বনভোজ বা পিকনিক। ভাগৰুৱা শৰীৰৰ বিশ্ৰাম লৈ অলপ সজীৱ ভাৱ আনিবলৈ আপোন পৰিয়ালৰ সৈতে বা বন্ধু-বান্ধৱীৰ সৈতে সেউজীয়া গছ-গছনিৰে ভৰা ঠাইত এসাঁজ খোৱা অকণমান ৰং-ধেমালি কৰাৰ সুবিধা লাগে। শীতৰ কুঁৱলী পৰা মায়াময় পৰিৱেশৰ মাজত জুইৰ আমেজ লোৱা আলু পুৰি খোৱা এই সকলোবোৰ বিচাৰি পাওঁ বনভোজৰ যোগেদি কাৰণ গাঁৱত বা চহৰত বৰ্তমান সেই পৰিৱেশ দুৰ্লভ হৈ পৰিছে। দুদিনমান পিছত ইংৰাজী নৱবৰ্ষ আৰম্ভণি হ'ব। এটা বছৰ মেলানি মাগিব আৰু এটা বছৰৰ অভিজ্ঞতাৰে পৰিপূৰ্ণ কৰি তুলিব কিছু স্মৃতি হৃদয়ত খোদিত হ'ব সময়ে দি যাব সকলোবোৰৰ সমাধান। গতিকে আত্মীয় বন্ধু-বান্ধৱী সৈতে সকলো মিলি প্ৰাকৃতিক পৰিৱেশৰ মাজত লগে ভাগে এসাজ তৃপ্তিৰে খোৱা মন প্ৰাণ সজীৱতা আনি দিয়ে। কাৰণ বৰ্তমান ব্যস্ততাৰে ভৰা যান্ত্ৰিকতাৰ জীৱনত অকণমান মুকলি আকাশৰ তলত অলপ বিশুদ্ধ বায়ুৰ খুবেই প্ৰয়োজন আছে। এগৰাকী দাৰ্শনিক কৈছিল-সুস্থ দেহত সুস্থ মনৰ সৃষ্টি কৰে। তাৰ কাৰণে নিজৰ মনটোক এটা সুস্থিৰ পৰিৱেশত সময় পালেই কটাব লাগে। নতুন বছৰক উলাহ-মালাহেৰে আদৰাৰ সময় পুৰণি বছৰটোৰ কিছু আপুৰুগীয়া স্মৃতি হৃদয়ত থাকে সেইখিনি বনভোজৰ পৰিৱেশত পোৱা যায়। উলাহ-মালাহেৰে প্ৰকৃতিৰ মাজত হাঁহি-ধেমালিৰ কিছু ক্ষণ আপোনসকলৰ লগত কটাও মিলিত হৈ বনভোজৰ যোগেদি মৰমৰ এনাজৰী অনুভৱ কৰো। এয়া জীৱনৰ মাদকতা। কিন্তু বনভোজ যাওঁতে সদায় মনত ৰাখিব লাগিব যি ঠাইত গৈ উপভোগ কৰে সেই ঠাইখিনি পৰিস্কাৰ কৰাৰ দায়িত্বও আছে। কাৰণ সেই ঠাইডোখৰ পৰিস্কাৰ পৰিচ্ছন্ন কৰি থৈ আহিলেহে বেলেগ আকৌ কোনোবা গ'লে বিৰক্তি অনুভৱ নকৰে। প্ৰফুল্ল মনেৰে তেওঁলোকেও লগেভাগে এসাজ খাব পাৰে তেতিয়া বনভোজৰ শান্তিপূৰ্ণ পৰিৱেশ পাব। বনভোজ খাবলৈ গ'লে ঠাইখিনিৰ সম্পূৰ্ণ তথ্য লোৱাৰ লগতে প্ৰাথমিক চিকিৎসাৰ সাধাৰণ বস্তু কেইপদ আৰু শাৰিৰীক মানসিকভাৱে সুস্থ সবল গাড়ী চালককহে নিব লাগে।

**ম'বাইল ঃ ৭০০২৯-৪২৫৯১**

সত্যমেব জয়তে
অসম চৰকাৰ

# শ্ৰদ্ধাঞ্জলি আঁচনি

## বহিঃৰাজ্যত মৃত্যু হোৱা অসমৰ ব্যক্তিৰ নশ্বৰ দেহ মৰ্যাদা সহকাৰে স্বগৃহলৈ অনাৰ পদক্ষেপ

আঁচনিখনৰ সবিশেষ
সেৱা সেতু
প' ৰ্টেলত উপলব্ধ



আৰক্ষীৰ সৈতে যোগাযোগ কৰিবলৈ-

৯১৮১০-১৪৮৮৮
১১২
০৩৬১-২৩৮১৫১১

### বৈশিষ্ট্যসমূহ

- বহিঃৰাজ্যত বিশেষ পৰিস্থিতিত মৃত্যু হোৱা অসমৰ স্থায়ী বাসিন্দাৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য হ'ব
- আৰ্থিকভাৱে সবল শ্ৰেণী বা নিজাববীয়াকৈ ব্যৱস্থা কৰিব পৰা লোকৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য নহ'ব
- চিকিৎসাৰ বাবে বহিঃৰাজ্যলৈ যোৱা ৰোগীসকলক এই আঁচনিত সামৰি লোৱা নহ'ব
- আঁচনিখন ৰূপায়ণত গৃহ আৰু ৰাজনৈতিক বিভাগৰ তত্ত্বাৱধানত অসম আৰক্ষীয়ে সমন্বয় ৰক্ষা কৰিব

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

Janasanyog RO no 3647/25/25-December-25

# নগাঁৱৰ স্মাৰ্ট লানিং নামেৰে প্ৰশিক্ষণ প্ৰতিষ্ঠানখনৰ এদিনীয়া কৰ্মশালাৰ সফলতাৰে সম্পন্ন



**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁৱৰ নতুন বজাৰ চাৰিআলিৰ ৰুমী-ৰূপক গ্ৰন্থ বিপণীৰ বিপৰীতে আৰু প্ৰেছক্ৰিপছন ক্লিনিকৰ ওপৰ মহলাত অৱস্থিত স্মাৰ্ট লানিং নামৰ আগশাৰীৰ প্ৰশিক্ষণ প্ৰতিষ্ঠানখনে জন্মলগ্নৰ পৰাই উঠি অহা যুৱক-যুৱতী সকলে যাতে স্বাৱলম্বী হ'ব পাৰে সেই উদ্দেশ্যেৰে কম্পিউটাৰ, ট্ৰেইলাৰৰিং কাটিং আৰু নাছিং প্ৰশিক্ষণ প্ৰদান কৰি আহিছে। তাৰেই অংশ হিচাপে প্ৰশিক্ষণ প্ৰতিষ্ঠানখনতেই জিলাখনৰ ভিন্ন প্ৰান্তৰ পৰা অহা প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ফেশ্বন ডিজাইনিঙৰ এখন বিনামূলীয়া কৰ্মশালা অনুষ্ঠিত কৰে। কৰ্মশালাখনিয়ে অনাগত দিনসমূহত ছাত্ৰ-ছাত্ৰীসকলক বহু উপকৃত কৰিব বুলি প্ৰশিক্ষণ প্ৰতিষ্ঠানখনৰ পৰিচালনা সঞ্চালক অম্লানজিত কৌশিকে জানিবলৈ দিয়ে। উল্লেখ্য যে অনুষ্ঠিত হৈ যোৱা দৰেই অনাগত দিন সমূহত প্ৰতিষ্ঠানখনত উপলব্ধ সকলো বিষয়ৰ বিনামূলীয়া কৰ্মশালা অনুষ্ঠিত কৰা লগতে আগন্তুক ইংৰাজী নৱবৰ্ষৰ উপলক্ষে প্ৰতিষ্ঠানখনত উপলব্ধ বিষয়সমূহৰ লগতে ট্ৰেইনডিং সমন্ধীয় বিষয় সমূহত নামভৰ্তিকৰণত বিশেষ ৰেহাই প্ৰদান কৰি থকা হৈছে। যদি ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলে তিনিমহীয়া, ছমহীয়া আৰু এবছৰীয়া কোচিংসমূহৰ নামভৰ্তি কৰিব বিচাৰে তেনেহ'লে আসন সীমিতি অতিশীঘ্ৰে ৯১০১৩-৩৯৩১৫ নম্বৰত যোগাযোগ কৰক।

# তেজপুৰত গীতা জয়ন্তী মহোৎসৱ পালন

## শোণিতপুৰ জিলা গীতা মণ্ডলী উদ্যোগত আৰু বাম পৰ্বতীয়া ভক্তপ্ৰাণ ৰাইজ আৰু ভাৰত মাতা পূজন সমিতিৰ সহযোগত




**চন্দন শৰ্মা, তেজপুৰ ঃ** শ্ৰীমদ্ভাগৱত গীতা হৈছে পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ ধৰ্ম গ্ৰন্থ। এই পৱিত্ৰ ধৰ্মগ্ৰন্থ ৫,১২৭ সংখ্যক গীতা জয়ন্তী মহোৎসৱ উপলক্ষে শোণিতপুৰ জিলা গীতা মণ্ডলী উদ্যোগত আৰু বাম পৰ্বতীয়া ভক্তপ্ৰাণ ৰাইজ আৰু ভাৰত মাতা পূজন সমিতিৰ সহযোগত শ্বহীদ ভূপেন ডেকা সোঁৱৰণী মঞ্চ বাম পৰ্বতীয়া তেজপুৰত অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানত মাৰ্গদৰ্শনৰ বাবে উপস্থিত থাকে মাজুলীৰ শ্ৰীশ্ৰীউত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱ গোস্বামী আৰু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ অসম ক্ষেত্ৰৰ ক্ষেত্ৰ প্ৰচাৰক বশিষ্ঠ বুজৰবৰুৱা। ৫,১২৭ সংখ্যক গীতা জয়ন্তী মহোৎসৱৰ পৱিত্ৰ ধৰ্মধ্বজা উত্তোলন আৰু আদৰণি ভাষণ প্ৰদান কৰে শোণিতপুৰ জিলা গীতা মণ্ডলীৰ প্ৰমুখ তথা তেজপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ কুমাৰ হাজৰিকাই। তেখেতে ভাষণ প্ৰসংগত উল্লেখ কৰে যে গীতা জয়ন্তীৰ মূল লক্ষ্য উদ্দেশ্য হ'ল পৱিত্ৰ গীতাক বাণীসূহক জনমুখী কৰা, প্ৰচাৰ আৰু প্ৰসাৰ কৰা বিশেষকৈ আমাৰ নৱপ্ৰজন্মৰ মাজত। যাতে এই পৱিত্ৰ গ্ৰন্থখন নিদিষ্ট গন্দীৰ মাজতে আবদ্ধ নাথাকি, এই মহান গ্ৰন্থখনৰ মহান বাণীসমূহ আৰু মহত্ব সকলোৰে হৃদয়ংগম কৰিব পাৰে আৰু দৈনন্দিন জীৱনত এই বাণীসমূহ প্ৰয়োগ কৰিব পাৰে। জনাৰ্দন দেৱগোস্বামীয়ে উল্লেখ কৰে যে গীতা হৈছে স্বয়ং ভগৱান শ্ৰীকৃষ্ণৰ মুখৰ বাণী। সেইবাবে গীতা সকলো পুৰুষ-মহিলা সমন্বিতে শিশু সকলেও পঢ়া উচিত । বিশেষকৈ গীতা দ্বাদশ অধ্যায় 'ভক্তি যুগ' ছাত্ৰ-ছাত্ৰী সকলে পঢ়া উচিত। বশিষ্ঠ বুজৰবৰুৱাই উল্লেখ কৰে যে আমি সকলোৱে গীতাৰ মহান বাণী আৰু মহত্ব হৃদয়ংগম কৰি নৰ পৰা নাৰায়ণ হ'ব লৈ চেষ্টা কৰিব লাগে। তেখেতে ছাত্ৰ-ছাত্ৰীসকলক নিয়মিতভাৱে এঘাৰ বাৰকৈ ঔম কাৰ ধ্বনি উচ্চাৰণ কৰিবলৈ পৰামৰ্শ আগবঢ়ায় যাতে তেওঁলোকৰ স্মৃতি শক্তি বৃদ্ধি পায়। এইবাৰ গীতা জয়ন্তী মহোৎসৱৰ লগত সংগতি ৰাখি তেজপুৰ চহৰৰ দহ খন বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ মাজত শ্ৰীমদ্ভাগৱত গীতা ওপৰত প্ৰশ্নোত্তৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল, য'ত ৪৪ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে পুৰস্কাৰ লাভ কৰিছে। বৃক্ষৰোপণ ৰোপণ, হোম-যজ্ঞ আৰু সামূহিক গীত পাঠ কাৰ্যসূচী গীত জয়ন্তী মহোৎসৱত অনুষ্ঠিত কৰা হয়। অনুষ্ঠানৰ শেষত ধন্যবাদ সূচক মন্তব্য আগবঢ়ায় ৫,১২৭ সংখ্যক গীতা জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি বোধেন্দ্ৰ নাথ শৰ্মাই।

# নগাঁও শাখা লেখিকা সংস্থাৰ উদ্যোগত ছখনকৈ গ্ৰন্থ উন্মোচন

## মাতৃ সমাজে নামঘৰ ধৰি ৰাখিছে ঃ পদুম ৰাজখোৱা



**নগাঁৱৰ বিশেষ প্ৰতিবেদক ঃ** 'অসম লেখিকা সংস্থা'ৰ অন্তৰ্গত নগাঁও শাখা লেখিকা সংস্থাৰ উদ্যোগত ২২ ডিচেম্বৰৰ বিয়লি নগাঁও চহৰৰ আমোলাপট্টিস্থিত নগাঁও নাট্য মন্দিৰ সভাগৃহত ছখনকৈ গ্ৰন্থ উন্মোচন কৰা হয়। মামণি ভট্টাচাৰ্যৰ মঙ্গলাচৰণৰে আৰম্ভ হোৱা গ্ৰন্থ উন্মোচনী সভাখন সঞ্চালনা কৰে সংস্থাৰ নগাঁও শাখাৰ সভানেত্ৰী লীনা সন্দিকৈয়ে। সভাত সুবৰ্ণ গোস্বামীৰ 'কেইগৰাকীমান খ্যাতিমান নগএগু সাহিত্যিক', পূৰবী চক্ৰৱৰ্তী সূত-- উজ্বলজ্যোতি দাসৰ সম্পাদনা গ্ৰন্থ 'শিখাৰ দৰে জ্বলি আছা তুমি', ৰূপা শইকীয়াৰ 'ভগৱান বিষ্ণু আৰু কৌলিক', লীনা সন্দিকৈৰ 'মৌপিয়া চৰাইৰ মিঠা মাত' পূৰবী চক্ৰৱৰ্তী সূতৰ 'শিয়ালী পেহীৰ বিয়া' আৰু অৰুণিমা ভড়ালীৰ 'ভিন্ন চিন্তা ভিন্ন সুৰ' নামৰ গ্ৰন্থ কেইখন উন্মোচন কৰে ক্ৰমে নাট্যকাৰ কানু বেজবৰুৱা, লেখক-সাংবাদিক গুৰমাইল সিং, অধ্যাপিকা ড° অমিয়া পাটৰ, শিশু-সাহিত্যিক কাৰুণ্য ভট্টাচাৰ্য, অৱসৰপ্ৰাপ্ত অধ্যক্ষা ৰিণ্টু দাস আৰু লেখিকা ৰূপা শইকীয়াই। সুবৰ্ণ গোস্বামীৰ 'কেইগৰাকীমান খ্যাতিমান নগএগু সাহিত্যিক' গ্ৰন্থখনৰ সমীক্ষা আগবঢ়াই অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱাই সুবৰ্ণ গোস্বামীৰ সাহিত্য কৃতিৰ বিষয়ে উল্লেখ কৰি কয় যে তেখেতে কেইবাগৰাকী নগএগু সাহিত্যিকৰ বিষয়ে লিখা এই গ্ৰন্থখনৰ জৰিয়তে নৱপ্ৰজন্মই এই সাহিত্যিক সকলৰ বিষয়ে পৰিচিতি লাভ কৰিব। অৱশ্যে লেখিকা গৰাকীয়ে আৰু বহু কেইজন নগএগু সাহিত্যিকৰ বিষয়ে গ্ৰন্থ প্ৰনয়ণ কৰাৰ প্ৰয়োজনীয়তা আছে। অসম সাহিত্য সভাৰ মহিলা অনুষ্ঠান 'আকাশ' উপ-সমিতিৰ বিষয়ে উল্লেখ কৰি ৰাজখোৱাই কয় যে অসম সাহিত্য সভাৰ দীঘলীয়া ইতিহাসত এতিয়ালৈকে দুগৰাকী মহিলা অসম সাহিত্য সভাৰ সৰ্বোচ্চ পদ সভাপতিৰ আসনত অধিষ্ঠিত হৈছে। অৱশ্যে কেইবাখনো জিলা শাখাত মহিলা সভানেত্ৰী পদত অধিষ্ঠিত হৈছে। ৰাজখোৱাই লগতে কয় যে নাৰী আৰু পুৰুষ সুকীয়া সত্বা নহয়। তাহানিত মহিলা সকলক আগস্থান দিয়া হোৱা নাছিল। এতিয়া পৰিৱেশ-পৰিস্থিতি সলনি হৈছে, পুৰুষৰ সমানেই মহিলাসকলে সকলো ক্ষেত্ৰত আগবাঢ়ি যাবলৈ সক্ষম হৈছে। মহিলাসকলৰ দক্ষত আৰু তেওঁলোকৰ নিপুণতা আছে। নাৰীয়ে সকলো কাম কৰিব পাৰে বুলি উল্লেখ কৰি তেওঁ কয় যে অসম সাহিত্য সভাৰ শীৰ্ষ পদবীৰ দায়িত্ব ল'বলৈ মহিলাসকল আগবাঢ়ি আহিব লাগিব। আনহাতে নামঘৰৰ কথা উল্লেখ কৰি ৰাজখোৱাই কয় যে নামঘৰলৈ মহিলাসকল যোৱা দৃশ্য দেখি অনাবিল আনন্দ অনুভৱ কৰো। দৰাচলতে মাতৃ সমাজেই নামঘৰসমূহ ধৰি ৰাখিছে বুলি ৰাজখোৱাই গুৰুত্বপূৰ্ণ মন্তব্য কৰে। গ্ৰন্থ উন্মোচক গুৰুমাইল সিঙে কয় যে আমাৰ সমাজত ভাল ভাল কাম কৰা মানুহ আছে। যাৰ বাবে প্ৰত্যাহ্বানৰ মাজতো সমাজ সুস্থিৰভাৱে চলি আছে। তেওঁ লগতে কয় যে গ্ৰন্থ বিক্ৰী কৰাৰ এক পৰিৱেশ সৃষ্টি কৰা প্ৰয়োজন। আন এগৰাকী গ্ৰন্থ উন্মোচক তথা নাট্যকাৰ কানু বেজবৰুৱাই নিজৰ ভাষণত কয় যে অসমীয়া সমাজত জীৱনীমূলক সাহিত্যৰ অভাৱ বিৰাজমান। কিন্তু বংগত জীৱনীমূলক সাহিত্যৰ প্ৰসাৰ বেছি। সাহিত্য সামাজিক ক্ষেত্ৰৰ দাপোন বুলি উল্লেখ কৰি তেওঁ আক্ষেপ কৰি কয় যে আজিৰ প্ৰজন্মই গ্ৰন্থ অধ্যয়ন কৰিব নিবিচাৰে। শিশু-সাহিত্যিক কাৰুণ্য ভট্টাচাৰ্যই কয় যে গ্ৰন্থ সামাজিক দায়িত্ববোধ সহকাৰে ৰচনা কৰা হয়। গ্ৰন্থৰ বিভিন্ন দিশ উল্লেখ কৰি তেওঁ কয় যে অসমত শিশু সাহিত্যৰ সংখ্যা কম। শিক্ষাবিদ-বিশিষ্ট লেখিকা ৰিণ্টু দাসে নিজৰ ভাষণত কয় যে কাব্য সাহিত্যই মানুহৰ মন আৰু অনুভূতি বিস্তাৰিতভাবে প্ৰকাশ কৰে। অধ্যাপিকা ড° অমিয়া পাটৰ আৰু লেখিকা ৰূপা শইকীয়াই গ্ৰন্থ সম্পৰ্কে মননশীল বক্তব্য আগবঢ়ায়। সংস্থাৰ সম্পাদিকা বন্তি চেতিয়াই উদ্দেশ্য ব্যাখ্যা কৰা সভাত শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্য, শিল্পী তাৰিণী মোহন শৰ্মা, ভাৰত গোস্বামী, অনিল কুমাৰ শৰ্মা, আৰতি শৰ্মা, অশোকৰাম ভট্টাচাৰ্য, ময়ূৰ কুমাৰ বৰা, চিত্ৰশিল্পী অলকা শৰ্মা, উপমা মজুমদাৰ, গুণদা গোস্বামী, বৈজয়ন্তী খাউণ্ড, দীপ্তি দেৱী শৰ্মা, গীতা মহন্ত শইকীয়া, নিজৰা শইকীয়া, কুমকুম বৰুৱা, জ্যেষ্ঠ সাংবাদিক ক্ৰমে কনক হাজৰিকা, জিতেন বৰকটকী, জয়ন্ত বৰা, আবু হানিফ, দ্বীপেন শইকীয়াৰ উপৰি লেখিকা সংস্থাৰ বিষয়ববীয়া-সদস্যসকলে অংশগ্ৰহণ কৰে। আকাশবাণী নগাঁও কেন্দ্ৰত কৰ্মৰত ৰাধাৰাণী দত্তই পূৰবী চক্ৰৱৰ্তী সূতৰ এটি কবিতা আবৃত্তি কৰা উক্ত অনুষ্ঠানতে তেজপুৰৰ চিত্ৰশিল্পী অলকা শৰ্মা আৰু নগাঁৱৰ কণমানি চিত্ৰশিল্পী মল্লিকা বৰাক আদৰণি জনোৱা হয়।

# পৰিভ্ৰমী পক্ষীৰ কল-কাকলিৰে মুখৰিত নগাঁৱৰ বিল-জলাশয়

## নৈসৰ্গিক পৰিৱেশত পাতিছে শীতৰ মেলা

**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ বিভিন্ন প্ৰান্তত থকা নদ-নদী, বিল-জলাশয় আদি বৰ্তমান জাক জাক দেশী-বিদেশী পক্ষীৰ উপস্থিতিৰে এক মনোৰম পৰিৱেশৰ সৃষ্টি কৰিছে। ঘাইকৈ জিলাখনৰ পশ্চিম প্ৰান্তৰ সোণাই আৰু হাৰিয়া নদীৰ লগতে দীঘলী, ডিমৌ, কুসুমবঢ়ি, কুঁজি, ৰৌমাৰী, দেওৰা, কাছমাৰী, ভেৰভেৰী, ৰামপুৰ, জাপৰি আদি বিলসমূহত বিভিন্ন ৰং-বিৰঙৰ পক্ষীয়ে পাতিছে যেন শীতৰ মেলা। যাৰ পৰিণতিত প্ৰজনন তথা খাদ্যৰ সন্ধানত দূৰ-দূৰণিৰ পৰা অহা পৰিভ্ৰমী পক্ষীৰ কলৰৱত মুখৰিত হৈ পৰিছে এই নদী, বিল, জলাশয় আদিৰ লগতে ইয়াৰ পাশ্চৱৰ্তী অঞ্চলবোৰৰ আকাশ-বতাহ। প্ৰকাশ যে, ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ উক্ত জলাশয়বোৰলৈ প্ৰতি বছৰে নৱেম্বৰ-ডিচেম্বৰ মাহৰ ভিতৰত দেশী-বিদেশী নানা প্ৰজাতিৰ পক্ষীৰ আগমণ ঘটে। বিশেষকৈ শৰালি, ঘিলা হাঁহ, ঢেকৰ, কাম চৰাই, শামুকভঙা, হাড়গিলা, বগলী, কনামুছৰী, পানী কাউৰী, দেও ৰাজহাঁহ, ধৃতৰাজ আদিৰ উপৰি সাত সাগৰ তেৰ নদী পাৰ হৈ সুদুৰ নিউজিলেণ্ড, ছাইবেৰীয়া, থাইলেণ্ড, ইণ্ডোনেছিয়া আদিৰ পৰাও বহু প্ৰজাতি পক্ষী আহি এই নদী, বিল, জলাশয়বোৰত বিচৰণ কৰা দেখা যায়। ফলত জাক জাক এই পক্ষীকূঞ্জলৰ এনে মুক্ত বিচৰণে উক্ত অঞ্চলবোৰত এতিয়া ৰাইজক দিছে বিনন্দীয়া নৈসৰ্গিক পৰিৱেশ উপভোগ কৰাৰ সুবিধা। উল্লেখ্য, এনেদৰে পৰিভ্ৰমী পক্ষীৰ আগমণৰ লগে লগেই উক্ত অঞ্চলবোৰত অবাধে চলে চোৰাং চিকাৰীৰ চৰাই নিধন প্ৰক্ৰিয়া। নানা কৌশলেৰে চোৰাং চিকাৰীয়ে এই আপুৰুগীয়া পক্ষীবোৰ কৰায়ত্ত কৰে আৰু পিছত এইবোৰ অধিক চৰা দামত বিক্ৰী কৰি মুনাফা লুটে। কিন্তু পৰিভ্ৰমী পক্ষীৰ এনে চোৰাং বেহা নিৰ্বিঘ্নে চলি থকাৰ পিছতো এই বেহা ৰোধ কৰাৰ বাবে বন বিভাগ আৰু আৰক্ষী বাহিনীয়ে বিশেষ পদক্ষেপ গ্ৰহণ নকৰি ৰহস্যজনকভাৱে চকু মুদা কুলিৰহে ভাও জুৰি অহাৰ গুৰুত্বৰ অভিযোগ উঠিছে।

# সংগ্ৰাম

■ পংকজ শইকীয়া
নগাঁও

জীৱন এক জীয়াই থকাৰ অনুভূতি। মানৱ জীৱনটো সকলোৰে বাবে একে নহয়। কাৰোবাৰ বাৱে বিলাসী কাৰোবাৰ বাবে অতি বেদনাদায়ক। কিন্তু জীৱনটোত সকলোৱে কৰিবলগীয়া হয় অবিৰতভাৱে এক সংগ্ৰাম। আজিৰ পৰা চাৰি দৰ্শক আগলৈ যদি উভতি যাওঁ তেনেহ'লে মই বা আপুনি এটা কথা মন কৰিব লাগিব অতীতৰ আমিবোৰে পঢ়াশুনা, খাদ্য, থকা-মেলা, সাজ-পোছাককে আদি কৰি বহু সমস্যাৰ সমাধা কেৱল শ্ৰমদান কৰিয়েই নিবাৰণ কৰিব পাৰিছিল। আনহাতে এতিয়া জীৱন সংগ্ৰামৰ লগতে মানসিকভাৱেও কৰিবলগীয়া সংগ্ৰামক লৈ এক চিন্তনীয় বিষয় হৈ পৰিছে। আমিবোৰে অতীতত ঘৰৰ মুৰব্বীজনে নিজৰ ঘৰ-সংসাৰখনৰ বাবে যিকোনো প্ৰকাৰে শ্ৰমদান কৰি পৰিয়ালটো পোহপাল দিয়া পিছত পৰিয়াল বাকী সদস্যসকলে শলাগ লৈছিল। এতিয়া বৰ্তমান এখন বিপৰীতমুখী ছবি এখনহে দেখিবলৈ পোৱা গৈছে। সেয়ে কোৱা হৈছে মানসিক সংগ্ৰাম বুলি। এয়াই হৈছে বৰ্তমান যুগৰ মনো পৰিৱৰ্তন।

এতিয়া জীৱন সংগ্ৰামৰ বিৱৰণ যদি আমি দিবলৈ যাওঁ জীৱন সংগ্ৰাম মানে নিজৰ জীৱনটো প্ৰতিটো মুহূৰ্ততে সংগ্ৰামৰ বিনিময়ত হোৱা বিভিন্ন প্ৰত্যাহ্বান আৰু সেই প্ৰত্যাহ্বানক নেওচি আগবাঢ়ি যোৱাটোৱেই হৈছে সংগ্ৰাম। এজন ব্যক্তি চৰকাৰী কৰ্মচাৰী আছিল এসময়ত কিন্তু কিবা কাৰণবশতঃ আনৰ প্ৰতাৰণাত অথবা বিশ্বাসঘাতকতা কৰা পিছত চৰকাৰী চাকৰিটো অপসাৰণ হোৱাৰ পিছত জীৱন কটোৱা সময়খিনিও হৈছে এক সংগ্ৰাম। এনেদৰে মানৱ জীৱনটোত বহু ধৰণৰ সংগ্ৰামৰ জলন্ত উদাহৰণ আছে। আনহাতে সংগ্ৰামৰ সংজ্ঞা যদি দিব বিচাৰো তেনেহ'লে জীৱনৰ সংগ্ৰামৰ লগত সংগ্ৰাম হাড়ে হিমজুৰে সৈতে জড়িত। এটি সফল জীৱন পাবলৈ হ'লে আমি সংগ্ৰাম কৰিব লাগিব সেৱা। কু-কৰ্মৰে নহয়। সু- কৰ্মৰে জীৱন গঢ় দিয়াৰ ক্ষেত্ৰত, জীৱন জীৱিকাৰ ক্ষেত্ৰত সংগ্ৰাম কৰি আগবাঢ়ি যাব লাগিব। জীৱন সংগ্ৰামত দৰিদ্ৰতা, বিভিন্ন ৰোগ-ব্যাধি, সামাজৰ ফালৰ পৰা অত্যাধিক মানসিক চাপ, আত্ম সন্দেহকে আদি কৰি এই সকলোবোৰ সমস্যা নেওচি আগুৱাই যোৱাজনেই হ'ল প্ৰকৃত সংগ্ৰামী। তদুপৰি সংগ্ৰামে মানুহক নিৰ্দ্দিষ্ট লক্ষ্যৰ দিশে মনোগ্ৰাহী, মূল্যবোধ গঢ়িবলৈ, সাহস মনোবল, প্ৰেৰণা লাভ কৰি অসাধ্য সাধন কৰিবলৈ শক্তি ইন্ধন যোগান ধৰে। ধৰি লওক আপুনি এজন জন্মগত প্ৰতিবন্ধী লোক। এতিয়া আপুনি ঘৰতে বিভিন্ন চিন্তা কৰি থাকিলে জীৱনটো গঢ় দিব পাৰিব অথবা জীৱন জীৱিকাত ব্ৰতী থাকিব পাৰিব। আন দহজনৰ কথাত ভ্ৰূক্ষেপ নকৰাকৈ শিক্ষিত হৈ আন দহগৰাকীক আপোনাৰ সু-আদৰ্শই যে আপ্লুত কৰি আপোনাৰ লগতে আন দহজনক আগুৱাই লৈ যোৱাতো হৈছে প্ৰকৃত সংগ্ৰাম। এনে বহু সূক্ষ্ম কথাসমূহ যদি আজি যুগৰ উঠি অহা নৱপ্ৰজন্মসকলে অনুধাৱন কৰিব পাৰে তেনেহ'লে জীৱনটোত সফলতা লাভ কৰাৰ লগতে 'সংগ্ৰাম' শব্দটোৰ প্ৰকৃত অস্তিত্ব জীয়াই থাকিব। নহ'লে সংগ্ৰাম নামৰ শব্দটোৰ অৰ্থই বা ক'ত থাকিব আজিৰ সমাজত। এই কথাখিনি আমাৰ সমাজৰ বুদ্ধিজীৱি তথা সচেতন ব্যক্তিসকলে সমাজত বিস্তাৰ আৰু প্ৰচাৰ-প্ৰসাৰ কৰিব লাগিব। অথবা অথলে যাব এই সংগ্ৰাম বুলি কোৱা এই শব্দৰ অস্তিত্ব। উক্ত কথাখিনিৰ আধাৰত এটা কথা ক'ব পাৰো তুমি যি পাইছা তাতেই সন্তুষ্ট থাকি তৃপ্তি লাভ কৰি থাকিবা কৰিবা সংগ্ৰাম তেহে হ'ব ভৱিষ্যতে তোমাৰ জীৱনটো অনাবিল আনন্দৰ এক যাত্ৰা।

# ১০ আৰু ১১ জানুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে আয়োজন

## শিমলুগুৰিত লক্ষীমপুৰ জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশন

**বিশেষ সংবাদদাতা, শিমলুগুৰি ঃ** ১৯১৭ চনত প্ৰতিষ্ঠা লাভ কৰা অসমৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ প্ৰথমগৰাকী সন্মানীয় সভাপতি আছিল লক্ষীমপুৰৰ সু-সন্তান, সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱা। সেই সোণালী দিনৰ ঐতিহ্য থকাৰ উপৰিও কেইগৰাকীমান স্মৰণীয় সাহিত্যিকৰ প্ৰচেষ্টাত লক্ষীমপুৰতেই সাহিত্য সভাৰ বীজ অংকুৰিত হৈছিল। পৰৱৰ্তী সময়ত বিশিষ্ট বুদ্ধিজীৱী হোমেন বৰগোহাঞিৰ পৰা আৰম্ভ কৰি বহুগৰাকী সাহিত্যিকে লক্ষীমপুৰৰ গৌৰৱ অক্ষুণ্ণ ৰাখি গৈছে। লক্ষীমপুৰ জিলা সাহিত্য সভাৰ আগন্তুক মধ্যকালীন অধিৱেশনখনি শিমলুগুৰি শাখা সাহিত্য সভাৰ আতিথ্যত অহা ১০ আৰু ১১ জানুৱাৰী, ২০২৬ তাৰিখে বিভিন্ন জাতি-জনগোষ্ঠীৰে পৰিবেষ্টিত বৃহত্তৰ শিমলুগুৰিত আয়োজনৰ ব্যাপক প্ৰস্তুতি তুংগত কৰি তোলা পৰিলক্ষিত হয়। শিমলুগুৰিৰ ৰঙ্গমঞ্চত অনুষ্ঠিত হ'বলগীয়া মধ্যকালীন অধিৱেশনখনিৰ প্ৰথম দিনৰ কাৰ্যসূচী অনুসৰি গছপুলি ৰোপণ, পতাকা উত্তোলন, স্মৃতি তৰ্পণ, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, গ্ৰন্থমেলা আৰু প্ৰদৰ্শনীৰ দ্বাৰ উদ্‌ঘাটন, কুইজ আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ অন্ততঃ শিমলুগুৰি শাখা সাহিত্য সভাৰ আজীৱন সভ্য সম্মিলন অনুষ্ঠিত হ'ব। দিনৰ ২ বজাত অন্তৰংগ আলাপ অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে অংশ গ্ৰহণ কৰিব অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী আৰু প্ৰধান সম্পাদক দেৱজিৎ বৰাই। বিয়লি গ্ৰন্থ উন্মোচনী সভা সম্পন্ন হ'ব। আনহাতে, দ্বিতীয় দিনৰ কাৰ্যসূচী অনুসৰি পুৱা প্ৰতিনিধিৰ নাম পঞ্জীয়নৰ পিছতেই লক্ষীমপুৰ জিলা সাহিত্য সভাৰ কাৰ্যনিবাৰ্হক সভা অনুষ্ঠিত হ'ব। লক্ষীমপুৰ জিলা সাহিত্য সভাৰ বাৰ্ষিক প্ৰতিনিধি সভাৰ শেষত সাংস্কৃতিক শোভাযাত্ৰা হ'ব। দিনৰ ৰ বজাত হ'বলগীয়া মুকলি সভা আৰু গ্ৰন্থ উন্মোচন কাৰ্যসূচী অনুষ্ঠিত হ'ব। সন্ধ্যা বন্তি প্ৰজ্বলনৰ পিছতেই স্থানীয় মহিলা-যুৱতীসকলৰ দ্বাৰা 'বিপ্ৰ দামোদৰ আখ্যান, দন্তবক্ৰৰ মুক্তিলাভ' ভাওনা প্ৰদৰ্শিত হ'ব। উক্ত দুয়োদিনৰ কাৰ্যসূচীত লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সভাপতি সঞ্জীৱ উপাধ্যায়, সম্পাদক প্ৰবীণ হাজৰিকা, শিমলুগুৰি শাখা সাহিত্য সভাৰ সভাপতি বিতোপন গগৈ, উপ-সভানেত্ৰী ইন্দিৰা গগৈ ফুকন, সম্পাদক দীপক ইছলাৰীৰ লগতে আদৰণি সমিতিৰ সভাপতি ডিম্বেশ্বৰ ফুকন, কাৰ্যকৰী সভাপতি অনন্ত গগৈ আৰু সম্পাদক যোগানন্দ গগৈয়ে সাহিত্যনুৰাগী ৰাইজৰ সৰ্বত্ৰ দিশত পূৰ্ণ সহযোগিতা কামনা কৰিছে।

# নগাঁৱত সুদখোৰৰ দৌৰাত্ম্য ঃ সুদৰ ধন নিদিয়াৰ বাবেই কাঢ়ি আনিলে এক্স ইউ ভি বাহন

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁৱত সুদখোৰৰ দৌৰাত্ম্য অব্যাহত আছে। কিছুদিন পূৰ্বে নগাঁও আৰক্ষীয়ে সুদখোৰৰ বিৰুদ্ধে অভিযান চলাই বহু কেইজন সুদখোৰক গ্ৰেপ্তাৰ কৰি জে'ল হাজোতলৈ প্ৰেৰণ কৰিছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ জিলাখনতে সুদখোৰ নিস্তেজ হৈ আছিল যদিও পুনৰ সক্ৰিয় হৈ পৰিছে একাংশ সুদখোৰ। শেহতীয়াকৈ নগাঁও চহৰৰ খ্ৰীষ্টান পট্টিৰ ইমৰান হুছেইন ওৰফে ইৰাণে আতংকৰ সৃষ্টি কৰিছে। প্ৰাপ্ত অভিযোগ অনুসৰি, জিলাখনৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত গেৰুৱামুখৰ কাজি মাছ্‌উদ নামৰ এগৰাকী ব্যক্তিক সুদ আদায়ৰ নামত নিৰ্যাতন চলোৱাৰ অভিযোগ উঠিছে। কাজিক সুদখোৰ ইৰাণে সৰ্বাধিক ১৫ শতাংশ সুদত ৫ লাখ ৫২ হাজাৰ টকা দিয়ে। অৱশ্যে সুদৰ বাবদ ৭০ হাজাৰ টকা আদায় দিয়ে যদিও বাকী টকা সময় মতে সুদ আদায় নিদিয়াৰ বাবে ইৰাণে কাজিৰ এএছ ০২-এইউৰ ৮৮৮ নম্বৰৰ এক্স ইউভি চাৰিচকীয়া বাহনখন কাঢ়ি লৈ আহে। আনকি, সুদসহ সমুদায় ধন ঘূৰাই নিদিলে মিছা অভিযোগ দি আৰক্ষীৰ হতুৱাই গ্ৰেপ্তাৰ কৰাই জে'ললৈ প্ৰেৰণ কৰাৰ ভাবুকি দিয়ে। অৱশেষত ভুক্তভোগী কাজি মাছউদে নগাঁও সদৰ আৰক্ষী থানাত সুদখোৰ ইৰাণৰ বিৰুদ্ধে এক গোচৰ দাখিল কৰে। ইয়াৰ পিছতেই আৰক্ষীয়ে ইৰাণক সোধপোচৰ বাবে আটক কৰাৰ লগতে তেওঁৰ জিম্মাৰ পৰা এক্স ইউভি বাহনখনো উদ্ধাৰ কৰি তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে। উল্লেখ্য যে পূৰ্বেও নগাঁও আৰক্ষীয়ে ইৰাণক গ্ৰেপ্তাৰ কৰি জে'ল হাজোতলৈ প্ৰেৰণ কৰিছিল।

# ড° শৰৎ বৰকটকীলৈ ৰাম গোস্বামী বিশিষ্ট কবি বঁটা

## ৰাম গোস্বামীৰ কবিতাত প্ৰকৃতিৰ সজীৱ উপস্থিতিৰ মাজত প্ৰতিবাদৰ সুৰ এটা বাজি আছিল ঃ ড° শৰৎ বৰকটকী

**বিশেষ সংবাদদাতা, নগাঁও ঃ** ৰাম গোস্বামী-সেউজীয়া দেশ ন্যাস, সাংস্কৃতিক গোষ্ঠী নানগিস আৰু নগাঁও জিলা যোগাসন ক্ৰীড়া সমিতিৰ দ্বাৰা সন্ধিয়া নগাঁও ছোৱালী মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি সেউজীয়া দেশৰ কবি ৰাম গোস্বামী সোঁৱৰণী সভাৰ চতুৰ্থ বাৰ্ষিক অনুষ্ঠানত নগাঁও জিলা সাহিত্য সভাৰ সভাপতি, বিশিষ্ট কবি, নগাঁও মহাবিদ্যালয় (স্বতন্ত্ৰ)ৰ প্ৰাক্তন অধ্যক্ষ ড° শৰৎ বৰকটকীলৈ চলিত বৰ্ষৰ ৰাম গোস্বামী বিশিষ্ট কবি বঁটা আগবঢ়োৱা হয়। উল্লেখ্য যে ৰাম গোস্বামী-সেউজীয়া দেশ ন্যাস আৰু সাংস্কৃতিক গোষ্ঠী নানগিসৰ ফালৰ পৰা বঁটাটি ড° শৰৎ বৰকটকীলৈ আগবঢ়োৱা হয়। আনহাতে ব্যক্তিগত কাৰণত নতুন দিল্লীত থকাৰ বাবে ড° শৰৎ বৰকটকীৰ হৈ বঁটাটি গ্ৰহণ কৰে তেওঁৰ ভতিজাক সাংবাদিক জিতেন বৰকটকীয়ে। বঁটাৰ প্ৰত্যুত্তৰত প্ৰেৰণ কৰা লিখিত ভাষণত ড° শৰৎ বৰকটকীয়ে যোৱা শতিকাৰ আশীৰ দশকত গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যয়ন কৰাৰ সময়ত সেউজীয়া দেশৰ কবি ৰাম গোস্বামীৰে থকা আত্মিক সম্পৰ্কৰ বিষয়ে উল্লেখ কৰি কয় যে ৰাম গোস্বামীৰ কবিতাৰ মাজত বাস্তৱৰ বিশালতা, সংস্কৃতিৰ ঐতিহ্য, জিজ্ঞাসাৰ সন্ধান বিচাৰি পাইছিলোঁ। ৰাম গোস্বামীৰ কবিতা অসমীয়া সাহিত্যৰ আধুনিক যাত্ৰাত এক অনন্য সংযোজন। জীৱন, সমাজ, মানৱ মনক সত্যৰ মাজেৰে প্ৰকাশ কৰাৰ ক্ষমতাই তেওঁক এক দৃঢ় আৰু শিল্পময় কবিৰ কণ্ঠ ৰূপে প্ৰতিষ্ঠিত কৰিছে। ৰাম গোস্বামীৰ কবিতাত প্ৰকৃতিৰ সজীৱ উপস্থিতিৰ মাজত প্ৰতিবাদৰ সুৰ এটা বাজি আছিল। তেওঁৰ কবিতা সৰল অথচ ব্যঞ্জনাৰ ক্ষেত্ৰ অৰ্থময়। উল্লেখ্য যে 'ৰাম গোস্বামী বিশিষ্ট কবি বঁটা'ৰ বাবদ ড° বৰকটকীলৈ গামোচা, উমাল বস্ত্ৰ, শৰাই, জাপি, অভিনন্দন পত্ৰ, কিতাপৰ টোপোলা আদি আগবঢ়োৱা হয়। ৰাম-গোস্বামী-সেউজীয়া ন্যাসৰ সভাপতি বিশিষ্ট সাংবাদিক দিলীপ চন্দনে আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানত সাংবাদিক জিতেন বৰকটকীয়ে আধুনিক কবিতাই সমাজিক বাৰ্তা কঢ়িয়াই আনে বুলি উল্লেখ কৰি আধুনিক কবিতাত সমসাময়িক সমাজৰ নতুন চিন্তা, অনুভূতি, ব্যক্তিৰ সমস্যা, অন্তৰ্দ্বন্দ্ব সংশয় আদি প্ৰতিফলিত হয় বুলি মন্তব্য আগবঢ়ায়। অনুষ্ঠানত চাহ জনগোষ্ঠীয় শিল্পী মংগল নায়কে অসমীয়াৰ হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গৰে থকা সম্পৰ্কৰ বিষয়ে উল্লেখ কৰি এটি গীতৰ কলি আওৰায়। অনুষ্ঠানত বিশেষভাৱে সক্ষম শিল্পী পূজা শৰ্মা, কবি ৰাম গোস্বামীৰ নাতি অভিজ্ঞান আৰু তনুস্মানে শিল্পী জুবিন গাৰ্গৰ সংগীত পৰিৱেশন কৰে।

# বিশ্বনাথ জিলা ব্ৰাহ্মণ মহিলা সমাজৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন



**চন্দন শৰ্মা, তেজপুৰ ঃ** বিশ্বনাথ চাৰিআলিৰ বামগাঁওস্থিত ব্ৰাহ্মণ সমাজৰ স্থায়ী কাৰ্যালয়ত দেওবাৰে জিলা ব্ৰাহ্মণ মহিলা সমাজৰ এখন সভা দূৰ দূৰণিৰ মহিলা ও বয়োজ্যেষ্ঠ ব্যক্তিৰ আগমণত গঠনমূলক প্ৰস্তাৱৰে সম্পন্ন হয়। নাগশংকৰ পৰা হাৱাজানৰ বহু কেইগৰাকী কাৰ্যনিৰ্বাহ ব্যক্তিৰ উপস্থিতিত সভাত সভাপতি আসন গ্ৰহণ কৰে জিলাৰ স্থায়ী সভাপতি মিনতি পূজাৰী। তাৰ লগে লগে ব্ৰাহ্মণ মহিলা সকলে এটি সমূহীয়া প্ৰাৰ্থনা কৰি আধ্যাত্মিক পৰিৱেশ এটা অনাৰ লগতে ৰুলী শৰ্মাই সংস্কৃতত শিৱ স্তোত্ৰম পাঠ কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। পৰ্যায়ক্ৰমে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি জিলাৰ সম্পাদক মল্লিকা মিশ্ৰই সভাত উপস্থিত সকলোকে ধন্যবাদ জনাই নাৰী প্ৰধান দেশত বৰ্তমান সমাজ ব্যৱস্থাত জিলাৰ মহিলাসকলক একত্ৰিতকৰণ কৰা উদ্দেশ্যেৰে, পুৰুষ সমাজৰ সহযোগিতাত কেনেদৰে সমাজখন আগুৱাই নিব পাৰি তাৰ ওপৰত আলোচনা কৰি, সঠিক সিদ্ধান্ত মৰ্মে দায়িত্ব ও কৰ্তব্যৰ মাজেৰে কৰ্মত অগ্ৰসৰ হ'বলৈ সভাখন আহ্বান কৰা হয় বুলি কয়। সভাত আঞ্চলিকৰ সভাপতি নিজু পূজাৰীৰ আদৰণি সম্ভাষণৰ পিছতে, নিমন্ত্ৰিত অতিথি অসম ব্ৰাহ্মণ সমাজৰ উপ-সভাপতি চন্দ্ৰেশ্বৰ শৰ্মা, জিলা সভাপতি পূৰ্ণ শৰ্মা শাস্ত্ৰী, পুৰুহীত সন্মিলনৰ সভাপতি দুল বৰকটকী, অবিভক্ত শোণিতপুৰ জিলা প্ৰাক্তন সভাপতি ভবেন শৰ্মা, জিলা কাৰ্যালয় সম্পাদক দিগন্ত মিশ্ৰ, জিলা যুৱ ব্ৰাহ্মণ সমাজৰ সম্পাদক তথা ৰাজ্যিক যুৱ ব্ৰাহ্মণ সমাজৰ সহঃ সম্পাদক গৌৰাঙ্গ ভাগৱতী আৰু আঞ্চলিক সভাপতি দিলীপ বৰুৱাৰ গঠনমূলক সাংগঠনিক দিহা পৰামৰ্শত সভাখনে পূৰ্ণতা পায় । জিলা কাৰ্যালয় সম্পাদক জুনুমিশ্ৰ গোস্বামীয়ে এটি সুন্দৰ লোকগীত পৰিৱেশন কৰাৰ পিছতে, জিলাৰ বিষয়ববীয়া ৰুলী শৰ্মা, অদিতি শৰ্মা, ৰুনু শৰ্মাকে প্ৰমুখ্যে বহু কেইগৰাকীয়ে সুন্দৰ নিদৰ্শন উত্থাপন কৰে। আহি থকা ৮ মাৰ্চ ২৬ ত নাৰী দিৱস দিনজোৰা কাৰ্যসূচীৰে ডাঙৰকৈ পালন কৰা, প্ৰতি আঞ্চলিকৰ পৰা ব্ৰাহ্মণ মহিলা পিয়ল কৰি সাংগাঠনিক ভেটি টনকিয়াল কৰা, প্ৰতি আঞ্চলিকত মহিলা স্বাৱলম্বী হ'ব পৰাকৈ লগুণ বনোৱা প্ৰশিক্ষণৰ কৰ্মশালা আয়োজন কৰা আদি বহুতো যুক্তিসংগত আদৰ্শমূলক আলোচনাৰে বিশ্বনাথ জিলা ব্ৰাহ্মণ মহিলা সমাজৰ কাৰ্যনিৰ্বাহক সভাখন সফলতাৰে সমাপ্তি হয়।

## তোমাক হেৰুৱাৰ ভয়

**ৰূপালী গগৈ চুতীয়া**
ডিব্ৰুগড়

তোমাক হেৰুৱাৰ ভয়ত
নীৰৱতাৰ সংগ ল'লো
সেউজীয়া ৰঙত অলপ
মৰম দিলোঁ
নাজানো কি ৰঙে শুৱাব
তোমাৰ মন কাৰেং।
তোমাক হেৰুৱাব নোখোজোঁ বাবে
অভিমানবোৰৰ নাম
জোনাক ৰাখিলোঁ,
বুকুৰ মাজেৰে বৈ যোৱা
বিষটি তোমাৰ অনুভৱত পমি
আজীৱন তোমাৰ হ'ব বিচাৰোঁ।
আঁতৰি থাকিবলৈ নহয়
কাষতে থাকি
হাতত হাত থৈ
সুখ দুখবোৰ বিলাই ল'বলৈ
সুযোগ বিচাৰোঁ,
তোমাৰ প্ৰেমত বিয়াকুল হৈ
আলফুলে সাৰটি লৈ
তোমাক হেঁপাহ পলুৱাই
চাই এখনি পূৰ্ণাংগ ছবি আঁকি
মন মন্দিৰৰ থাপনাত
এগছি বন্তিৰে পূজা অৰ্চনা কৰি
হৃদয়ংগম কৰিব বিচাৰোঁ
হৃদয়ংগম কৰিব বিচাৰোঁ।

## এবুকু শেৰালি

**মৌচুমী গগৈ**
নিমুৰী

কোনোবাই সুধিছিল মোক
তুমি নামৰ সেউজীয়া
ঠিকনাৰ কথা,
সুধিছিল
তোমাৰ দৰে লগা মোৰ সেই
অনাখৰী ভালপোৱাৰ
অপ্ৰকাশ্য গাথা।।

প্ৰেমসিক্ত হাঁহি এটি সাৰটি
কৈছিলো নিৰৱে....।
তুমি ...অব্যক্ত এবুকু
বাসনাৰ সীমাহীন পৰিধি
যাৰ আগমণত ফুলে
মোৰ বুকুত প্ৰেমৰ শেৰালি,
তুমি... সপোন মোৰ
উন্মুক্ত হিয়াৰ
তোমাতেই সেউজ মোৰ মনৰ পথাৰ।

## বিকলাংগ

**শতাব্দী শৰ্মা**
আমোলাপট্টি, নগাঁও

হুইল চেয়াৰখন একাষে পৰি ৰৈছে
মস্ত ট্ৰাকখনৰ ড্ৰাইভাৰজনক নমাই আনি
ৰাইজে লপা-থপা দিছে।
আশা-সপোনবোৰৰ জোৰা-টাপলি মাৰিবলৈ,
বায়েকৰ শিৰৰ সেন্দুৰ মচ খোৱা দিনতে,
কৰা প্ৰতিজ্ঞাটো আজি বিকলাংগ হৈ ৰাজপথৰ দাঁতিত।
গোটেই পথচোৱা ৰক্তাক্ত,
গোটেই পথচোৱা এতিয়া বিকলাংগ,
তেজৰ চেকুৰাত মাখিৰ কলকলনি।
বায়েকজনী কুলক্ষণী হ'ল।

**ম'বাইল ঃ** ৬৯০১১-৫২৪২৯

## হৃদয়ৰ বেদীত বৰদিন

**যমুনা দুলু বৈশ্য**
শুৱালকুছি

বৰদিন আহিলে
আনন্দ উল্লাহে ভৰে মন
নিতৌ লগ পোৱাৰ আশাৰে,
তোমাক লৈয়ে জানা সপোন।

হৃদয়ৰ বেদীত সেইদিনটো
মনত ৰঙীন আলপনা,
স্মৃতিৰে চকুত ভাঁহে
তোমাক পোৱাৰ বাসনা।
শীতৰ কুঁৱলী স'তে দুচকুত
নিদ্ৰা কাঢ়ি নিলে,
কজলা নয়নীৰ হেঁপাহবোৰে
মন ৰাঙলী কৰিলে।
এনাজৰী বান্ধি ঈশ্বৰ সন্ধান
এয়া সময়ৰ মিলনৰ মেলা,
তোমাক পাবলৈ বহু আয়োজন
বিষাদবোৰৰ স'তে মাথো খেলা।
তুমি মোৰ প্ৰাণৰ, আগুৱাই নিয়া
আজন্মৰ চিনাকিৰে মন ভৰে,
মৰম, বিশ্বাস থাকিলে জীৱনত
সঁহাৰি পাই সুন্দৰ মানৱতাৰে।

## ইউটিউবাৰৰ ড'পামাইন হৰ্মন

**হেৰম্ব নাথ**

অতিমাত্ৰা জনপ্ৰিয়তাই মানুহক ধ্বংস কৰে
বেছি সময় নালাগে জনপ্ৰিয়তা অৰ্জন কৰিবলৈ
কিন্তু তাৰে মাজত আছে আকাশ-পাতাল প্ৰভেদ
জনপ্ৰিয়তা দুই প্ৰকাৰৰ- এটা ধনাত্মক আৰু এটা ঋণাত্মক
অতি সহজতে ৰাইজৰ সমুখত চিনাকি হ'ব পাৰি
ঋণাত্মক জনপ্ৰিয়তাৰ জৰিয়তে
কিন্তু ধনাত্মক জনপ্ৰিয়তা অৰ্জন কৰিবলৈ
মানুহক লাগে কৃচ্ছ সাধনা
যিয়ে এনে এটা সাধনাত ব্ৰতী তেওঁ
কদাপি বলীয়া নহয় জনপ্ৰিয়তাৰ প্ৰতি
সফলতাৰ কোনো চুটি পথ নাই
যিটো কথা প্ৰকৃত সাধকৰ জ্ঞাত।
সূৰুযটো উদয় হওঁতে
এটা নিঃশব্দ প্ৰত্যয়
কিন্তু আকাশত যেতিয়া প্ৰচণ্ড শব্দৰ গৰ্জন
তেতিয়া?
সেয়া জানো সৃষ্টিৰ শব্দ।

যেতিয়া বীজ এটা গজালি মেলে
আমি কোনো শব্দ নুশুনো
কিন্তু গছ এডাল উভালি পৰোঁতে
শব্দৰ এক বিস্ফোৰণ হয়
সেয়া জানো সৃষ্টিৰ শব্দ
ভৰিৰ তলৰ মাটি যে কঁপি উঠে।

মানুহ মাত্ৰেই জনা উচিত
সৃষ্টি নিঃশব্দ
ধ্বংস মাথোঁ শব্দৰ সমষ্টি-প্ৰাবল্য।
টেইলপিছ ঃ
যদি ইউটিউবাৰে ড'পামাইন হৰ্মন নিয়ন্ত্ৰণত ৰাখিব বিচাৰে তেন্তে দুৰাকাংক্ষাক বিসৰ্জন দিয়া উচিত। অন্যথা গাখীৰৰ ফেনৰ দৰে নিমিষতে তললৈ নামি আহিব লাগিব। (পক্ষী মৰে বৈ মানুহ মৰে কৈ, কথাত কটা যায় কথাত বঁটা পায় ঃ এই সোণেসেৰীয়া ফকৰা যোজনাবোৰ কদাপি নহয় আউটডেটেড; মানৱ জীৱনৰ প্ৰতিটো পল-মুহূৰ্ততে প্ৰাসংগিকতা আছে সঁচাকৈয়ে)

**ম'বাইল ঃ** ৭০০২৭-৯৭৫৪০

### ১১১১ খন ই-বুক, দুই শতাধিক গ্ৰন্থ উন্মোচন

# ২-৫ জানুৱাৰীত কলিয়াবৰত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সোণালী জয়ন্তী সমাৰোহ



**মৃদুস্মিতা শৰ্মা, বোকাখাত ঃ** ঐতিহ্যমণ্ডিত কলিয়াবৰৰ কুঁৱৰীটোলত ২ ৰ পৰা ৫ জানুৱাৰীলৈকে অনুষ্ঠিত হ'ব সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সোণালী জয়ন্তী সমাৰোহ আৰু ত্ৰিংশতিতম দ্বি বাৰ্ষিক অধিৱেশন। কুঁৱৰী টোলৰ গান্ধী খেল পথাৰত ব্যাপক প্ৰস্তুতিৰে আৰম্ভ হৈছে আয়োজন। এই অধিৱেশনত ১১১১ খন ই-গ্ৰন্থৰ লগতে দুই শতাধিক বিভিন্ন ছপা গ্ৰন্থ আৰু লেখিকাৰ মুখপত্ৰও প্ৰকাশ পাব। বোকাখাতৰ পুৰতি সাহিত্য সভা ভৱনত আয়োজিত এক সংবাদ মেলত এই বিষয়ে জানিবলৈ দিছে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী সুৱৰ্ণ শইকীয়া বৰদলৈয়ে। ২ জানুৱাৰীত চাফাই অভিযানৰ দ্বাৰা আৰম্ভ হ'ব কাৰ্যসূচী। ১১ বজাত মূল মঞ্চ উন্মোচন কৰিব সমজিলা আয়ুক্ত ৰাজ বৰুৱাই। বন্তি প্ৰজ্বলন কৰিব বিমল বৰুৱাই। ২-৩০, বজাত প্ৰতিনিধি শিৰিৰ মুকলি, ৩-৩০ বজাত প্ৰতিনিধি সভা আৰু অন্তৰংগ আলাপ অনুষ্ঠিত হ'ব। সভাপতিত্ব কৰিব সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী সুৱৰ্ণ শইকীয়া বৰদলৈয়ে। ৩ জানুৱাৰীত সুৱৰ্ণ শইকীয়া বৰদলৈৰ পতাকা উত্তোলনেৰে আৰম্ভ হ'ব অনুষ্ঠান। অন্যান্য পতাকা সমূহ উত্তোলন কৰিব আদৰণি সমিতিৰ বিষয়ববীয়া আৰু কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াই। ৯-৩০ বজাত প্ৰতিষ্ঠাপক সভানেত্ৰী ড° শীলা বৰঠাকুৰৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰিব কমলা বৰঠাকুৰ আৰু ড° সঞ্জীৱ বৰঠাকুৰে। লগতে আন ২০ গৰাকীয়েও জ্বলাব বন্তি। মাল্যাৰ্পণ কৰিব কবিতা ৰাজগুৰুৱে। ১০ বজাত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰতিষ্ঠা কালৰ পৰা বৰ্তমানলৈকে সেৱা আগবঢ়াই থকা সকলৰ লগতে, দেহাৱসান ঘটা কলিয়াবৰ অঞ্চলৰ লেখিকাৰ সৈতে সকলৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰা হ'ব। ১১ বজাত উদ্ঘাটন হ'ব গ্ৰন্থমেলাৰ দ্বাৰ। ১১-১৫ বজাত হ'ব প্ৰদৰ্শনীৰ দ্বাৰ উদ্ঘাটন। ১১-৩০ ত অনুষ্ঠিত হ'ব বুৰঞ্জী সন্মিলন। প্ৰয়াত সাৱিত্ৰী বৰগোহাঞিৰ স্মৃতিত আয়োজিত এই সন্মিলনত বন্তি প্ৰজ্বলন কৰিব ড° পূৰবী দুৱৰীয়ে। সুৱৰ্ণ শইকীয়া বৰদলৈৰ সভানেত্ৰীত্বত অনুষ্ঠিত হ'ব লগা অনুষ্ঠান উদ্বোধন কৰিব প্ৰাক্তন উদ্যোগ মন্ত্ৰী, কলিয়াবৰ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি গুণীন হাজৰিকাই। 'স্বাধীনতা আন্দোলনত কলিয়াবৰ আৰু কলিয়াবৰৰ মহিলা শক্তিৰ ভূমিকা' শীৰ্ষক আলোচনা আগবঢ়াব গোপিকানন্দ শইকীয়ায়। 'মধ্যযুগৰ ৰণ ক্ষেত্ৰত কলিয়াবৰ আৰু নাংচন চেম (মূলাগাভৰু) আত্ম বলিদান' শীৰ্ষক আলোচনা আগবঢ়াব ৰেখামণি বিষয়াই। ১-৩০ বজাত অনুষ্ঠিত হ'ব ন-লেখিকা প্ৰজন্ম সন্মিলন। সৃঞ্জনা শৰ্মাই সঞ্চালনা কৰিব লগা এই সন্মিলন উদ্বোধন কৰিব হিমাদ্ৰী হাজৰিকাই। এই অনুষ্ঠানত 'জুবিন গাৰ্গৰ সপোনৰ অসম আৰু সংগীত চৰ্চাৰ আধুনিক দৃষ্টি' সন্দৰ্ভত ৰঙাপাৰা কলেজৰ প্ৰাক্তন ছাত্ৰী অংকিতা দাস আৰু 'অসমীয়া ভাষা সংস্কৃতিৰ উত্তৰণত গণ মাধ্যমৰ ভূমিকা' বিষয়ত বক্তব্য প্ৰদান কৰিব সাংবাদিকতা আৰু গণমাধ্যমৰ স্নাতকোত্তৰ হিমাঞ্চল দত্তই। আনহাতে 'নৱ প্ৰজন্মৰ দৃষ্টিত অসমীয়া ভাষা সাহিত্যৰ বৰ্তমান আৰু ভৱিষ্যত গ্ৰন্থ অধ্যয়নৰ প্ৰৱনতা' শীৰ্ষক বক্তৃতা প্ৰদান কৰিব লোকপ্ৰিয় গোপীনাথ বৰদলৈ কন্যা মহাবিদ্যালয়ৰ ছাত্ৰী বিউটি কুণ্ডুলানাই। পৰ্যালোচক হিচাপে থাকিব বিশিষ্ট সাংবাদিক মনমৰমী মহন্ত। দুপৰীয়া আৰম্ভ হ'ব স্বৰ্ণ গোস্বামী সোঁৱৰণী গ্ৰন্থ উন্মোচন সভা। এই অনুষ্ঠানত শতাধিক গ্ৰন্থ উন্মোচন হ'ব। বিয়লি ৪ বজাত অনুষ্ঠিত হ'ব বিনোদিনী ভট্টাচাৰ্য্য সোঁৱৰণী কবি সন্মিলন। সন্ধিয়া অনুষ্ঠিত হ'ব অৰবিন্দ বৰগোহাঁই সোঁৱৰণী সাংস্কৃতিক কাৰ্যসূচী। ৪ জানুৱাৰীৰ ৮-৩০ বজাত ওলাব বাৰেৰহনীয় সাংস্কৃতিক শোভাযাত্ৰা। ১১ বজাত অনুষ্ঠিত হ'ব প্ৰথম মুকলি সভা। উদ্বোধন কৰিব ৰাজহ মন্ত্ৰী কেশৱ মহন্তই। সুৱৰ্ণ শইকীয়া বৰদলৈৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা সভাত ছত্ৰিশগড়ৰ ৰাজ্যপাল ৰমেন ডেকা, অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী, কেবিনেট মন্ত্ৰী অতুল বৰা, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰা, প্ৰাক্তন উপ সভাপতি মৃণালিনী দেৱী, বিনীতা দত্ত, ড° কৰবী ডেকা হাজৰিকা, ড° আনন্দ বৰমুদৈ, বিধায়ক দিপ্লুৰঞ্জন শৰ্মা, এন আৰ এলৰ মহাপ্ৰবন্ধক ড° কাজল শইকীয়া, নেপালী সাহিত্য সভাৰ সভাপতি ড° চিন্তামণি শৰ্মা, চাহ জনজাতি সাহিত্য সভাৰ সভাপতি সঞ্জয় কুমাৰ তাঁতী উপস্থিত থাকিব। ইয়াৰ পাছতে অনুষ্ঠিত হ'ব বঁটা প্ৰদান অনুষ্ঠান। এই অনুষ্ঠানত ৰাজ্যখনৰ ৪১ গৰাকী বিশিষ্ট ব্যক্তিক প্ৰদান কৰিব বঁটা। ৫ জানুৱাৰীৰ ১০ বজাত অনুষ্ঠিত হ'ব দ্বিতীয় মুকলি সভা। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী সুৱৰ্ণ শইকীয়া বৰদলৈৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা সভা উদ্বোধন কৰিব ড° চাৰু বছৰীয়া নাথে। ই-বুক সম্পৰ্কীয় বক্তৃতা প্ৰদান কৰিব ভাতৃ প্ৰতিষ্ঠাপক সঞ্চালক ত্ৰিদীপ বৰুৱাই। মুখ্য অতিথি ৰূপে উপস্থিত থাকিব সাংসদ কামাখ্যা প্ৰসাদ তাচা। সন্মানীয় অতিথি ৰূপে অংশলৈ গ্ৰন্থ উন্মোচন কৰিব শিক্ষামন্ত্ৰী ড° ৰণোজ পেগুৱে। সভাত ৰাজ্যখনৰ ভালেসংখ্যক বিশিষ্ট ব্যক্তি অতিথি ৰূপে উপস্থিত থাকিব। এই অনুষ্ঠানত 'সদস্যা ৰত্ন' উপাধিৰ লগতে অন্যান্য উপাধি প্ৰদান কৰা হ'ব। প্ৰকাশ কৰা হ'ব ১১১১ খন ই-বুক।

প্ৰথম পৃষ্ঠাৰ পৰা

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নামৰূপত এম'নিয়া -ইউৰিয়া সাৰ প্ৰকল্পৰ ভূমিপূজন কৰা অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

সুযোগ প্ৰদান কৰিছিল। ড° শৰ্মাই কয় যে অসমৰ তেল, গেছ আৰু প্ৰাকৃতিক সম্পদৰাজিৰ ওপৰত অসমৰ জনসাধাৰণৰ অধিকাৰ আছে বুলি প্ৰধানমন্ত্ৰী মোদীয়ে বিশ্বাস কৰে আৰু সেয়েহে নুমলীগড় শোধনাগাৰ আৰু নামৰূপৰ এম'নিয়া-ইউৰিয়া প্ৰকল্পত ৰাজ্য চৰকাৰ তথা অসমৰ জনসাধাৰণক অংশীদাৰিত্বৰ সুযোগ আৰু সুবিধা প্ৰদান কৰিছে। ভাষণত মুখ্যমন্ত্ৰীয়ে বিগত সময়ছোৱাত কেইবাটাও বৃহৎ প্ৰকল্প প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমক উপহাৰ হিচাপে প্ৰদান কৰিছে বুলি মন্তব্য কৰে। তেওঁ কয় যে ডিগবৈ শোধনাগাৰৰ শোধন ক্ষমতা ১ লাখ মেট্ৰিক টনলৈ বৃদ্ধি কৰাৰ পৰিকল্পনাৰে ৭৬০ কোটি টকা ব্যয় সাপেক্ষ এটা প্ৰকল্প নিৰ্মাণত প্ৰধানমন্ত্ৰীয়ে অনুমোদন জনাইছে। তেনেদৰে প্ৰধানমন্ত্ৰীৰ অসমৰ প্ৰতি থকা সদিচ্ছাৰ বাবেই নুমলীগড় শোধনাগাৰৰ শোধন ক্ষমতা ৯ লাখ মেট্ৰিক টনলৈ বৃদ্ধিৰ প্ৰকল্প আৰু বাঁহৰ পৰা ইথানল, প'লিপ্ৰপেলিন উৎপাদনৰ অৰ্থে প্ৰায় ৪০ হাজাৰ কোটি টকাৰ প্ৰকল্প সম্ভৱ হৈ উঠিছে। ভাষণত মুখ্যমন্ত্ৰীয়ে ব্ৰহ্মপুত্ৰ নৈৰ ওপৰত বগীবিল দলং, ধলা-শদিয়া সংযোগী ড° ভূপেন হাজৰিকা সেতু নিৰ্মাণ, কলিয়াভোমোৰাত দ্বিতীয়খন দলং, গুৱাহাটীত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ নতুন টাৰ্মিনেলৰ উদ্বোধন আদিৰ কথা উল্লেখ কৰে। তেওঁ কয় যে জাগীৰোডত ছেমিকণ্ডাক্টৰ প্ৰকল্প, ধুবুৰীত তাপবিদ্যুৎ প্ৰকল্প, শিলচৰত নতুন বিমান বন্দৰ, কাজিৰঙাত ৩২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এলিভেটেড কৰিড'ৰ, ব্ৰহ্মপুত্ৰ নৈৰ তলেৰে সুৰংগ পথ নিৰ্মাণ, প্ৰতিখন জিলাতে চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ আদিৰো পদক্ষেপ গ্ৰহণ কৰা হৈছে। তেনেদৰে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলং, ধুবুৰী-ফুলবাৰী সংযোগী দলঙৰ নিৰ্মাণৰ কাম চলি থকাৰ কথা উল্লেখ কৰি তেওঁ কয় যে২০১৪ চনৰ পিছত অসমৰ জনজীৱনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এক নতুন আশা আৰু পৰিৱৰ্তনৰ আৰম্ভণি কৰিছে। ড° শৰ্মাই কয়— 'এজন প্ৰধানমন্ত্ৰীৰ কাৰ্যকালতে অসমত ব্ৰহ্মপুত্ৰৰ ওপৰত একাধিক দলং আৰু এটাৰ পিছত এটাকৈ বৃহৎ প্ৰকল্প নিৰ্মাণ হ'ব বুলি অসমবাসীয়ে পূৰ্বতে কেতিয়াও কল্পনা কৰিব পৰা নাছিল। আজি আমাৰ ৰাজ্যখনৰ জনজীৱনলৈ প্ৰধানমন্ত্ৰীয়ে ভাবিব নোৱাৰা পৰিৱৰ্তন আনিছে। আজি আমি গৌৰৱেৰে ক'ব পাৰো যে অসমে সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰতে পাঁচখন সৰ্বশ্ৰেষ্ঠ ৰাজ্যৰ এখন হোৱাৰ দিশত যাত্ৰা আৰম্ভ কৰিছে। অসমীয়াই যদি সুযোগ আৰু সুবিধা লাভ কৰে আকাশ স্পৰ্শ কৰিব পাৰে। প্ৰধানমন্ত্ৰীৰ নেতৃত্বত আজি অসমীয়াই আকাশ চুইছে।' মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ চাৰিওফালে এতিয়া বিকাশৰ উৎসৱ চলিছে বুলিও কয়। চৰকাৰে জাতি-মাটি ভেটি ৰক্ষাৰ অটল প্ৰতিজ্ঞাৰে আগবাঢ়িছে বুলি মন্তব্য কৰি তেওঁ লগতে কয় — 'এফালে বিকাশমুখী কাম-কাজ আৰু আনফালে অস্তিত্ব ৰক্ষাৰ মহাৰণেৰে আমি আমাৰ ৰাজ্যখনৰ ভৱিষ্যৎ প্ৰজন্মৰ বাবে সুৰক্ষিত কৰাৰ অৰ্থে প্ৰচেষ্টা কৰিছোঁ। আমি অসমক দেশৰ সৰ্বশ্ৰেষ্ঠ পাঁচখন ৰাজ্যৰ মাজত স্থান দিয়াৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কাম কৰিছোঁ। প্ৰধানমন্ত্ৰী মোদীয়ে অসমবাসীৰ আৱেগক সন্মান জনাই ৰাজ্যখনৰ বিকাশত সহযোগিতা আগবঢ়াইছে আৰু অসমৰ যুৱপ্ৰজন্মই যাতে নতুন দিগন্ত চুব পাৰে তাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ লৈছে।' মুখ্যমন্ত্ৰীয়ে প্ৰসংগক্ৰমে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান, চৰাইদেউ মৈদামক ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি প্ৰদান, যোৰহাটৰ হোলোঙাপাৰত মহাবীৰ লাচিত বৰফুকনৰ সুউচ্চ প্ৰতিমূৰ্তি নিৰ্মাণ আদিৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী মোদীয়ে আগবঢ়োৱা সহায়ৰ কথা ভাষণত উল্লেখ কৰে। তেওঁ কয় যে অসমীয়া জাতিয়ে কেতিয়াও কল্পনা কৰিব নোৱাৰা কাম প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বাস্তৱত ৰূপায়িত হৈছে। ভাষণত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে নামৰূপৰ টিপামৰ ভূমিত স্বৰ্গদেউ চাওল্যুং ছ্যু-কা-ফাই উপস্থিত হৈ বৰঅসম নিৰ্মাণৰ প্ৰতিজ্ঞা কৰিছিল। নামৰূপৰ টিমাপৰ সেই পৱিত্ৰ ভূমিত প্ৰধানমন্ত্ৰীয়ে আজি এম'নিয়া-ইউৰিয়া প্ৰকল্পৰ ভূমিপূজনৰ জৰিয়তে অসমক বিকাশ আৰু উন্নয়নৰ এক নতুন দিগন্তলৈ লৈ গ'ল। এয়া অসমীয়া জাতিৰ বাবে গৌৰৱৰ কথা বুলি তেওঁ অভিহিত কৰে। ডিব্ৰুগড় অসমৰ দ্বিতীয় ৰাজধানী হিচাপে নিৰ্মাণ কৰাৰ দিশত চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টাৰ কথা উল্লেখ কৰি তেওঁ কয়—'আমি যিমানবোৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিলোঁ, সেই সকলোবোৰ ৰক্ষা কৰিছোঁ।' এই অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী মোদীক ফুলাম গামোচা, শৰাই আৰু স্বৰ্গদেউ চাওল্যুং ছ্যু-কা-ফাৰ এটা প্ৰতিমূৰ্তিৰ লগতে সোণালী সূতাৰে বৈ উলিওৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতিকৃতি সম্বলিত এখন গামোচা উপহাৰ হিচাপে প্ৰদান কৰে। অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ আদি দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, সাংসদ ৰামেশ্বৰ তেলী, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান আদি বিভাগৰ মন্ত্ৰী বিমল বড়া, শক্তি আদি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন, লোকনিৰ্মাণ (গৃহ নিৰ্মাণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) আদি বিভাগ তথা ডিব্ৰুগড় জিলাৰ অভিভাৱক মন্ত্ৰী যোগেন মহন, বিধায়ক তৰংগ গগৈ, পোনাকণ বৰুৱা, তেৰছ গোৱালা, চক্ৰধৰ গগৈ, বিনোদ হাজৰিকা প্ৰমুখ্যে বহুকেইগৰাকী গণ্য-মান্য ব্যক্তিৰ লগতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে। গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ ৰাওনা হোৱাৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৱাহাটীৰ পশ্চিম বৰগাঁৱত নৱনিৰ্মিত শ্বহীদ স্মাৰক ক্ষেত্ৰত উপস্থিত হৈ ঐতিহাসিক অসম আন্দোলনৰ ৮৬০ গৰাকী অমৰ শ্বহীদৰ পুণ্য স্মৃতিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে।


## বজালীত ২৮,৮০৫ গৰাকী মহিলাক উদ্যমিতা অভিযানৰ

লাখপতি বাইদেউ হিচাপে স্বীকৃত হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানে যিসকল মহিলাই ইতিমধ্যে উদ্যমিতাৰ পথত খোজ দিছে তেওঁলোকৰ লগতে যিসকলে ব্যৱসায়-বাণিজ্যৰ মাধ্যমেৰে নিজকে স্বাৱলম্বী কৰিব বিচাৰে তেওঁলোককো সহায় আগবঢ়াইছে। এই অভিযানখনে প্ৰথম পৰ্যায়ত ৩২ লাখ মহিলাক সামৰি ল'ব আৰু ইয়াৰ বাবে ৰাজ্য চৰকাৰৰ প্ৰায় ৩২ হাজাৰ কোটি টকা ব্যয় হ'ব বুলি তেওঁ কয়। অসমৰ ইতিহাসত পূৰ্বে মহিলা সবলীকৰণৰ দিশত এনে বৃহৎ পৰিসৰত কোনো অভিযান ৰূপায়ণ কৰা হোৱা নাছিল বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইতিমধ্যে ৰাজ্যৰ ৫০ টাৰো অধিক বিধানসভা সমষ্টিত এই অভিযানত নিৰ্বাচিত হিতাধিকাৰীসকলক আৰ্থিক সাহায্যৰ চেক প্ৰদান কৰা হৈছে। বজালীত এক দুগ্ধ আন্দোলন আৰম্ভ হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সমষ্টিটোৰ মহিলাসকল কৃষি কৰ্ম, তাঁতশালত কাপোৰ বোৱা আৰু অন্যান্য ব্যৱসায়িক ক্ষেত্ৰত যথেষ্ট পাৰ্গত। মহিলাসকল যাতে বিভিন্ন উৎপাদনমুখী কৰ্মত আগুৱাই যাব পাৰে তাৰ বাবে চৰকাৰে তেওঁলোকক প্ৰশিক্ষণৰ লগতে ব্যৱসায় সম্প্ৰসাৰণৰ বাবে আৰ্থিক সাহায্য প্ৰদানৰ সমান্তৰালভাৱে উৎপাদিত সামগ্ৰী ক্ৰয়ৰ দিশতো 'স্ব-নিৰ্ভৰ নাৰী'ৰ দৰে আঁচনি ৰূপায়ণ কৰিছে। তেওঁ কয় যে চৰকাৰৰ এই পদক্ষেপৰ উদ্দেশ্য হৈছে মহিলাসকলে যাতে তেওঁলোকৰ শ্ৰম আৰু উৎপাদনৰ উচিত মূল্য পাব পাৰে। ৰাজ্যৰ মহিলাসকলৰ সবলীকৰণক আগুৱাই নিয়াৰ দিশত ভৱিষ্যৎ পৰিকল্পনাৰ কথা ব্যক্ত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰে সময়ে সময়ে বিভিন্ন সভা-সমিতি আয়োজন কৰে। ইয়াৰ উপৰি বিভিন্ন চৰকাৰী কাৰ্যালয়ত কেণ্টিন আদিও আছে। এই সকলোবোৰৰ বাবে চৰকাৰে যথেষ্ট পৰিমাণে খাদ্য-সামগ্ৰী, গামোচা আদি ক্ৰয় কৰিবলগীয়া হয়। আত্ম-সহায়ক গোটৰ মহিলাসকলৰ উৎপাদিত সামগ্ৰী ক্ৰয় কৰি এনে অনুষ্ঠানত যাতে ব্যৱহাৰ কৰিব পৰা যায় সেই দিশত তেওঁ চিন্তা-চৰ্চা কৰি থকা বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে চৰকাৰী অনুষ্ঠানত থকা কেণ্টিন আদিও পৰিচালনাৰ দায়িত্ব আত্ম-সহায়ক গোটক অৰ্পণ কৰিব পৰা যায় নেকি সেই দিশতো তেওঁ চিন্তা-চৰ্চা কৰিছে। তেওঁ ৰাজ্যৰ মহিলাসকলক পৰ্যাপ্ত পৰিমাণে গামোচাৰ লগতে স্বাধীনতা দিৱস আৰু গণ্যৰাজ্য দিৱস পালনৰ সময়ত জাতীয় পতাকা প্ৰস্তুত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে আত্ম-সহায়ক গোটসমূহে প্ৰস্তুত কৰা এনে সামগ্ৰীসমূহ চৰকাৰীভাৱে যাতে ক্ৰয় কৰিব পাৰি সেই দিশত কিছু পৰিকল্পনা কৰা হৈছে। মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযান কেৱল ১০ হাজাৰ টকাৰ আৰ্থিক সাহায্য প্ৰদানৰ আঁচনি নহয়। এই অভিযান হৈছে মহিলাসকলক নিজৰ ভৰিত থিয় হ'ব পৰাকৈ সাজু কৰি তোলা এক অভিযান। সেই উদ্দেশ্যত চৰকাৰ সফল হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। উদ্যমিতা অভিযানৰ পুঁজিৰ ব্যৱহাৰৰ সংক্ৰান্তত মুখ্যমন্ত্ৰীয়ে কয় যে এই পুঁজি লাভ কৰা মহিলাসকলে গোটৰ মাধ্যমেৰে বা ব্যক্তিগতভাৱে পুঁজি ব্যৱহাৰ কৰিব পাৰে। আত্ম-সহায়ক গোটৰ সদস্যাসকলে গোটৰ মাধ্যমেৰে পুঁজি ব্যৱহাৰ কৰিলে প্ৰায় ১ লাখ টকা জমা হ'ব আৰু তাৰ মাধ্যমেৰে তেওঁলোকে ব্যৱসায়ৰ বাবে ঋণ আদিও দিব পাৰিব। তেওঁলোকে নিজে ব্যৱসায় কৰাৰ উপৰি পৰিয়ালৰ যদি কোনো ব্যৱসায় আছে তাতো এই পুঁজি ব্যৱহাৰ কৰিব পাৰিব। উদ্যমিতা পুঁজিৰ যথাযথ ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ছয়মাহমানৰ পিছত এই পুঁজিৰ ব্যৱহাৰৰ সম্পৰ্কে পৰ্যালোচনা কৰা হ'ব আৰু যিসকল হিতাধিকাৰীয়ে পুঁজিৰ উচিত ব্যৱহাৰ কৰে তেওঁলোকক পৰৱৰ্তী পৰ্যায়ত ২৫ হাজাৰ আৰু ৫০ হাজাৰ টকাকৈ সাহায্য প্ৰদান কৰা হ'ব।


# এখন সমাজ নিজৰ ভৰিৰ ওপৰত ঠিয় দিবলৈ গ্ৰাম্য অৰ্থনীতি শক্তিশালীকৰণৰ

মহিলাই ১০ হাজাৰ টকাকৈ প্ৰথম কিস্তিৰ চেক লাভ কৰিছে আৰু বাকীসকলেও অতি সোনকালে এই চেক লাভ কৰিব। তেওঁ কয় যে ইতিমধ্যে যিসকল মহিলাই এই পুঁজি লাভ কৰিছে, তেওঁলোকে কিবা নহয় কিবা উৎপাদনমুখী কামত নিজকে জড়িত কৰিছে আৰু এই পুঁজিৰ সদ্ব্যৱহাৰ কৰিছে। চাবুৱা-লাহোৱাল আৰু মাকুম সমষ্টিৰ মহিলাসকলেও এই পুঁজিৰ সম্পূৰ্ণ সদ্ব্যৱহাৰ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। আজি বিতৰণ কৰা ১০ হাজাৰ টকাৰ চেকখন এই আঁচনিৰ মাথোঁ আৰম্ভণিহে বুলি উল্লেখ কৰি তেওঁ কয় যে প্ৰতিগৰাকী সদস্যা লাখপতি বাইদেউ নোহোৱালৈকে এই আঁচনি অব্যাহত থাকিব। অসমৰ আঠ লক্ষাধিক মহিলাই ইতিমধ্যে লাখপতি বাইদেউৰ মৰ্যাদা লাভ কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে তেওঁলোকে বেংক অথবা আত্মসহায়ক গোটৰ পৰা ঋণ লৈ একো একোটা উৎপাদনমুখী কামত নিজকে নিয়োজিত কৰিছে আৰু সফলতা লাভ কৰিছে। ইয়াৰে কিছুসংখ্যক মহিলাই বছৰি ১০ লাখতকৈ অধিক উপাৰ্জন কৰি 'মহা লাখপতি বাইদেউ' হিচাপেও পৰিগণিত হৈছে বুলি তেওঁ অৱগত কৰে। চাবুৱা-লাহোৱাল সমষ্টিৰ এনেধৰণৰ সফল উদ্যোগী মহিলাৰ উদাহৰণ দাঙি ধৰি তেওঁ কয় যে চাবুৱা উন্নয়ন খণ্ডৰ ডিকম বজাৰৰ মালা আত্মসহায়ক গোটৰ সদস্যা অনিতা চাহুৱে বিউটী পাৰ্লাৰ আৰু প্ৰসাধন সামগ্ৰীৰ প্ৰতিষ্ঠানেৰে উদ্যমিতাৰ বাটত খোজ দি নিজৰ উপাৰ্জনেৰে পৰিয়ালক আৰ্থিক দিশত সহায় কৰিবলৈ সক্ষম হৈছে। সামূহিক বিনিয়োগ পুজিৰ ৫ হাজাৰ টকা আৰু আত্মসহায়ক গোটৰ বেংক লিংকেজ ঋণৰ ১.৮০ লাখ টকাৰে নিজৰ ব্যৱসায়ৰ সম্প্ৰসাৰণ কৰি অনিতা চাহুৱে এতিয়া মাহে প্ৰায় ২৫ হেজাৰ টকাকৈ বাৰ্ষিক প্ৰায় ৩ লাখ টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। সেইদৰে চাবুৱা উন্নয়ন খণ্ডৰ পুলুঙা গাঁৱৰ জীৱনতৰা আত্মসহায়ক গোটৰ সদস্যা ৰূপজ্যোতি শইকীয়াই নাৰ্চাৰী আৰু কেঁচু সাৰ গোট স্থাপনেৰে স্বাৱলম্বী হ'বলৈ সক্ষম হৈছে। সামূহিক বিনিয়োগ পুঁজিৰ ৪ লাখ টকা আৰু আত্মসহায়ক গোটৰ বেংক লিংকেজ ঋণৰ ৫০ হাজাৰ টকা, পিএমএফএমই ঋণৰ ১.২৬ লাখ আৰু বীজ মূলধনৰ ২৫ হাজাৰ টকাৰ সাহায্যেৰে নিজৰ নাৰ্চাৰী আৰু কেঁচু সাৰ গোটৰ সম্প্ৰসাৰণ তথা মূল্য সংযোজনেৰে তেওঁ স্থানীয় বজাৰত এক বিশেষ স্থান দখল কৰিছে। ৰূপজ্যোতি শইকীয়াই এতিয়া মাহে প্ৰায় ২০ হাজাৰ টকাকৈ বাৰ্ষিক প্ৰায় ২.৪০ লাখ টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে বুলি তেওঁ অৱগত কৰে। মাকুম সমষ্টিৰ লাখপতি বাইদেউৰ উদাহৰণ দাঙি ধৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে মাকুম উন্নয়ন খণ্ডৰ লিম্বুগুৰি চাহ বাগিচাৰ খাগৰী আত্মসহায়ক গোটৰ সদস্যা অমৃতা কৰে বেকাৰী প্ৰতিষ্ঠানেৰে উদ্যমিতাৰ বাটত খোজ দি আৰ্থিকভাৱে টনকিয়াল হ'বলৈ সক্ষম হৈছে।

# অধ্যাপক ড° বিজয়কৃষ্ণ দলে, মণিকঙ্কনা দেৱী আৰু বংশৰৰ চম্পক মালাকাৰ লৈ যুৱ লেখক সন্মান-২০২৫




**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** অসম চৰকাৰে 'গ্ৰন্থবৰ্ষ ২০২৫' উপলক্ষে অসমীয়া, বাংলা, বড়ো ভাষাৰ লগতে মিচিং, কাৰবি, নেপালী তথা অসমৰ আন জনগোষ্ঠীয় ভাষাত সাহিত্য চৰ্চা কৰা যুৱ লেখক-লেখিকাসকললৈ আগবঢ়াইছে 'যুৱ লেখক সন্মান'। অসম প্ৰকাশন পৰিষদে নিৰ্বাচন কৰা অসমৰ মুঠ ৮১৮গৰাকী ৪০ অনুৰ্দ্ধৰ লেখক-লেখিকাৰ মাজত এই সন্মান লাভ কৰিবলৈ সক্ষম হৈছে শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক তথা সাম্প্ৰতিক সময়ৰ এগৰাকী মননশীল যুৱ লেখক ড° বিজয়কৃষ্ণ দলেয়ে। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ গৱেষণা আৰু অধ্যাপনাৰ লগতে তেখেতে নিৰলস সাহিত্য-চৰ্চা কৰি অসমীয়া ভাষা-সাহিত্য ক্ষেত্ৰখনত স্ব-মহিমাৰে উজলি উঠিছে। 'মিচিং লোকশিল্প ঃ এক বৰ্ণনাত্মক অধ্যয়ন' শীৰ্ষক বিষয়ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ পৰা অধ্যাপক সত্যকাম বৰঠাকুৰৰ তত্ত্বাৱধানত গৱেষণা কৰি পিএইচডি ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হোৱা ড° দলেয়ে মূলতঃ মিচিং সমাজ-সংস্কৃতি বিষয়ক বহুকেইখন উচ্চমানৰ গৱেষণা পত্ৰ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় গৱেষণাপত্ৰিকাত প্ৰকাশ কৰিবলৈ সক্ষম হৈছে। বিদ্যায়তনিক ব্যস্ততাৰ মাজতো তেখেতে বিভিন্ন কাকত-আলোচনীত সাময়িকী প্ৰবন্ধ, গল্প, কবিতা আদি সাহিত্যচৰ্চাত ব্ৰতী হৈ আছে। তেখেতৰ প্ৰকাশিত গ্ৰন্থৰ ভিতৰত উল্লেখযোগ্য- 'মিচিং সমাজ-সংস্কৃতিঃ পৰম্পৰা আৰু পৰিৱৰ্তন, আলি-আঃয়ে-লৃগাং, ভিন্ন দৃষ্টিকোণ, অসমীয়া ভাষা-সাহিত্য প্ৰৱাহ (সম্পা) ইত্যাদি। লখিমপুৰ জিলাৰ ঢকুৱাখনা সম-জিলাৰ অন্তৰ্গত চাৰিকড়ীয়া নৈ পাৰৰ অভয়পুৰ মাজগাঁৱৰ আদৰ্শ খেতিয়ক বলিন দলে আৰু ডালেশ্বৰী দলেৰ সুযোগ্য সন্তান ড° বিজয়কৃষ্ণ দলেৰ এই সন্মান লাভে জন্মভূমি ঢকুৱাখনাবাসীৰ লগতে কৰ্মক্ষেত্ৰ শুৱালকুছি মহাবিদ্যালয় তথা বৃহত্তৰ শুৱালকুছি অঞ্চললৈও গৌৰৱ কঢ়িয়াই আনিছে।




Janasanyog RO no 3645/25/26-December-25

# নগাঁৱত মূলসুঁতিকৰণ কৰা ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক সংযোগ অনুষ্ঠান সম্পন্ন

## মূলসূঁতিকৰণ ছাত্ৰ-ছাত্ৰীসকলক এজন প্ৰকৃত মানৱ সম্পদ ৰূপে গঢ় দিয়াৰ ক্ষেত্ৰত পিতৃ-মাতৃৰো গুৰুত্বপূৰ্ণ ভুমিকা আছে ঃ বিধায়ক ৰূপক শৰ্মা

**বিশেষ সংবাদদাতা, নগাঁও ঃ** সমগ্ৰ শিক্ষা অসমৰ উদ্যোগত খাগৰিজান শিক্ষাখণ্ডৰ ব্যৱস্থাপনাত আৰু বিশেষ প্ৰশিক্ষণ বিভাগৰ সহযোগত নগাঁও জিলা পুথিভঁৰালত বিশেষ প্ৰশিক্ষণ কেন্দ্ৰ মূলসুঁতিকৰণ কৰা ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক সংযোগ অনুষ্ঠানটি সম্পন্ন হয়। অনুষ্ঠানত নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয়- আজিৰ শিশু কাইলৈ দেশৰ ভৱিষ্যত। কিন্তু আজিকালি একাংশ ছাত্ৰ-ছাত্ৰী আধাতে শিক্ষা সাং কৰি অন্য দিশলৈ গতি কৰা দেখা গৈছে। বৰ্তমান পুনৰ ছাত্ৰ-ছাত্ৰীসকল শিক্ষাৰ ক্ষেত্ৰখনলৈ ঘূৰি অহাৰ খবৰে সকলোকে আনন্দিত কৰিছে। লগতে তেওঁ কয় মুলসুঁতিকৰণ কৰা এই সকল ছাত্ৰ-ছাত্ৰীৰো প্ৰত্যেক পিতৃ-মাতৃ সকলৰো একো একোটা গুৰুত্বপূৰ্ণ ভূমিকা আছে যে তেওঁলোকৰ সন্তানসকলক এজন প্ৰকৃত মানৱ সম্পদ ৰূপে গঢ় দিয়াৰ ক্ষেত্ৰত। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত শিক্ষাৰ ক্ষেত্ৰত যি অভূতপূৰ্ব পৰিৱৰ্তন আহিছে সেইয়া সকলোৱে দেখা পাইছে। ঠিক সেইদৰে বিগত দহ বছৰত আমাৰ চৰকাৰে মেধাভিত্তিত যি পৰীক্ষা সম্পন্ন হৈছে তাৰ বাবে আমাৰ শিক্ষিত যুৱক-যুৱতীসকলে চৰকাৰী চাকৰিত নিযুক্তি লাভ কৰিবলৈ সক্ষম হৈছে। এই বিশেষ প্ৰশিক্ষণ কেন্দ্ৰৰ জৰিয়তে মূলসুঁতিকৰণ ছাত্ৰ-ছাত্ৰী যি শৈক্ষিক সংযোগ অনুষ্ঠান আৰম্ভ হৈছে সেই প্ৰশিক্ষণৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকল বহু পৰিমাণে উপকৃত হ'ব পাৰিব বুলি বিধায়ক ৰূপক শৰ্মা আশা প্ৰকাশ কৰে। এইক্ষেত্ৰত অভিভাৱক সকলো এতিয়াৰে পৰা সজাগ হ'বলৈ আহ্বান জনায়। যাতে তেওঁলোকৰ ভৱিষ্যতৰ সুন্দৰ হয় আৰু তেওঁলোকে উচ্চ শিক্ষা গ্ৰহণৰ বাবে আগবাঢ়ি যাব পাৰে তালৈ লক্ষ্য ৰাখিবলৈ আহ্বান জনায়। এই শৈক্ষিক সংযোগ অনুষ্ঠানতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শিক্ষণ সজুঁলিৰ টোপোলা প্ৰদান কৰে বিধায়ক ৰূপক শৰ্মাই। নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত পুৱা ১১ বজাৰ পৰা আৰম্ভণি হোৱা এই অনুষ্ঠানত জিলা আয়ুক্ত দেৱাশীষ শৰ্মা, অতিৰিক্ত জিলা আয়ুক্ত জিতু কুমাৰ বৰ্মন, নগাঁও বিদ্যালয়সমূহৰ পৰিদৰ্শক মৃদুল কুমাৰ নাথ, নগাঁও বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক (ডি.আই) দেবেন চন্দ্ৰ লহকৰ, খণ্ড প্ৰাৰ্থমিক শিক্ষা বিষয়া ও খণ্ড মিচন সমন্বয় এইছ জ্ঞানেন্দ্ৰ সিংহ, নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে বসন্ত ভাগৱতী, জিলা সন্মিলনিৰ সম্পাদক পৱন জ্যোতি বৰা, খণ্ড গাণনিক ননী দাস গুপ্তা, জিলা মান ৰক্ষক ভাগ্যজ্যোতি বৰাকে প্ৰমুখ্যে কৰি অন্যান্য আঁচনি বিষয়াসকলৰ লগতে সন্মিলনিৰ সভাপতি- সম্পাদক, শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। শিক্ষয়িত্ৰী মনিমালা তামুলীয়ে আতঁধৰা অনুষ্ঠানটিত ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত হয় বিভিন্ন সাংস্কৃতিক অনুষ্ঠান।

# নিজৰ মতে জীয়াই থকাৰ সাহস

■ **কাকলি কুমাৰী,** হাজো

**জী**ৱনটো মানুহে এবাৰহে পায়। সেয়ে এই অমূল্য জীৱনটো আনৰ আশা-আকাংক্ষা পূৰণৰ বাবে নহয়, নিজৰ মন, নিজৰ বিশ্বাস আৰু নিজৰ সত্তাৰ সৈতে জীয়াই থকাৰ বাবেই হওঁক। আনক সন্তুষ্ট কৰিবলৈ সদায় চেষ্টা কৰি থাকিলে শেষত নিজেই ক্লান্ত হৈ পৰে। আপুনি যিমানেই চেষ্টা নকৰক কিয়? কোনোবা নহয় কোনোবা ঠাইত আপোনাৰ ভুল তেওঁলোকে দেখিবই। সেয়েহে কাৰো ক্ষতি নকৰাকৈ, কাৰো অন্যায় নকৰাকৈ, নিজৰ নীতি-আদৰ্শত অটল থাকি জীৱনটোক নিজৰ মতে জীয়াই থকাটোৱেই সৰ্বোত্তম। এই সমাজত এক অদ্ভুত সত্য আছে-এজন ভাল মানুহে হাজাৰটা ভাল কাম কৰিলেও, ক'ৰবাত যদি সৰু এটা ভুল, ত্ৰুটি দেখা যায়। তেন্তে সেই মানুহজন কিছুমান লোকৰ দৃষ্টিত চিৰদিনৰ বাবে বেয়া হৈ পৰে। আনহাতে, এজন বেয়া মানুহে যদি কেতিয়াবা এটা ভাল কাম কৰে তেন্তে সেই একেটা কামেই তেওঁক চিৰদিনৰ বাবে ভাল মানুহৰ আসনত বহুৱাই ৰাখে। এই বিচাৰ-বিবেচনাৰ অসামঞ্জস্যতাই শিকাই দিয়ে যে সকলো মানুহক কেতিয়াও সন্তুষ্ট কৰিব নোৱাৰি।

মানুহক ভিন্ন সময়ত মনপুত হোৱা কথাৰে, ন বস্তুৰে, ন ত্যাগেৰে সম্পূৰ্ণ সুখী কৰিব পৰা নাযায়। সেয়ে আনক সুখী কৰাৰ চিন্তাত নিজক কেতিয়াও পাহৰি নাযাব। এই সহজ-সৰল জীৱনটোত সঁচাকৈ যথেষ্ট প্ৰয়োজনীয় হৈছে- নিজক বুজা, নিজক সন্মান কৰা নিজৰ মনক শান্তনাদি ৰাখা আৰু নিজকে সুখী ৰাখিবলৈ চেষ্টা কৰা। নিজৰ অন্তৰত সন্তুষ্টি সৃষ্টি কৰক। কিয়নো আপুনি সুখী থাকিলেই জীৱনটো সঁচাকৈ অৰ্থপূৰ্ণ হৈ উঠিব।


**ম'বাইল ঃ** ৮৪৫৩৮-১৭৯৮০

# তেজপুৰত শোণিতপুৰ জিলাৰ কুংফু ওচো এছ'চিয়েচনৰ ১২ জনীয়া কমিটি গঠন



**চন্দন শৰ্মা, তেজপুৰ ঃ** উষানগৰী তেজপুৰৰ অসম সাহিত্য সভা ভৱনত শুকুৰবাৰে আয়োজিত এখন সভাত শোণিতপুৰ জিলাৰ কুংফু ওচো এছ'চিয়েচনৰ ১২ জনীয়া সবল কমিটি গঠন কৰা হয়। শোণিতপুৰ জিলাৰ কুংফু ওচো এছ'চিয়েচনৰ নৱ গঠিত কমিটিখনত মুখ্য উপদেষ্টা হিচাপে গহপুৰ বিধান সভা সমষ্টিৰ বিধায়ক উৎপল বৰা, মহাজাতি চাৰ্ভিছ ট্ৰাষ্টৰ সভানেত্ৰী ৰঞ্জিতা সিংহ দত্ত, উপদেষ্টা ব্লেক বেল্ট তথা পৰিচালক দীনেশ শৰ্মা, অধিবক্তা সুমন কুমাৰ ৰয়, সভাপতি মানৱ অধিকাৰ আয়োগৰ সঞ্চালক ড° পৰশমণি সিংহ, কাৰ্যকৰী সভাপতি বিশিষ্ট সমাজকৰ্মী ভোলা বৰা, উপ-সভাপতি সুৰেন্দ্ৰ আগৰৱাল, দিপক টিব্ৰেৱাল, সাধাৰণ সম্পাদক আন্তঃৰাষ্ট্ৰীয় কুংফু তথা ব্লেক বেল্টৰ ইঞ্চটাক্টৰ ৰাজা নাথ, সহকাৰী সম্পাদক মহেন্দ্ৰ শৰ্মা, প্ৰচাৰ সম্পাদক অসম বুক অফ ৰেকৰ্ডচ প্ৰাপক যুৱ সাংবাদিক চন্দন শৰ্মা আৰু কোষাধ্যক্ষ অমিত মডকৰে ১২ জনীয়া এখন সবল সমিতি গঠন কৰা হয়। শেষত সভাৰ শলাগৰ শৰাই আগবঢ়ায় শোণিতপুৰ জিলাৰ কুংফু এচছিয়েচনৰ সভাপতি ড° পৰশমণি সিংহই।

# বিহপুৰীয়া সমষ্টিৰ জনপ্ৰিয় জননেতা ৰঞ্জিত ভট্টাচাৰ্যলৈ আৰোগ্য নিধিৰ ন্যায়ৰক্ষী নিযুক্তি



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** ভাৰতীয় জনতা পাৰ্টিৰ কিষাণ মৰ্চা, অসম প্ৰদেশৰ সাধাৰণ সম্পাদক তথা বিহপুৰীয়া বিধানসভা সমষ্টিৰ জনপ্ৰিয় জননেতা ৰঞ্জিত ভট্টাচাৰ্য ডাঙৰীয়াক অসম চৰকাৰৰ দ্বাৰা অসম আৰোগ্য নিধিৰ ন্যাসৰক্ষী হিচাপে নিযুক্তি প্ৰদান কৰাত আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। এই গুৰুত্বপূৰ্ণ দায়িত্বত থকা অভিজ্ঞতা, সততা আৰু জনসেৱাৰ মনোভাৱে অসমবাসীৰ স্বাস্থ্যখণ্ডত নতুন দিশ প্ৰদান কৰিব বুলি দৃঢ় বিশ্বাস।








স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিন্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা